# أدعية جامعة (للجمعية)

# গুৰুত্বপূৰ্ণ কিছুমান দুআ

# গুৰুত্বপূৰ্ণ কিছুমান দুআ[1]

## প্ৰথমঃ কোৰআনৰ পৰা সংগৃহীত দুআসমূহঃ

رَبَّنَا تَقَبَّلْ مِنَّا إِنَّكَ أَنتَ السَّمِيعُ الْعَلِيمُ* وَتُبْ عَلَيْنَآ إِنَّكَ أَنتَ التَّوَّابُ الرَّحِيمُ. رَبَّنَا آتِنَا فِي الدُّنْيَا حَسَنَةً وَفِي الآخِرَةِ حَسَنَةً وَقِنَا عَذَابَ النَّارِ. رَبَّنَا لاَ تُؤَاخِذْنَا إِن نَّسِينَا أَوْ أَخْطَأْنَا. رَبَّنَا وَلاَ تَحْمِلْ عَلَيْنَا إِصْرًا كَمَا حَمَلْتَهُ عَلَى الَّذِينَ مِن قَبْلِنَا. رَبَّنَا وَلاَ تُحَمِّلْنَا مَا لاَ طَاقَةَ لَنَا بِهِ وَاعْفُ عَنَّا وَاغْفِرْ لَنَا وَارْحَمْنَآ أَنتَ مَوْلاَنَا فَانصُرْنَا عَلَى الْقَوْمِ الْكَافِرِينَ. رَبَّنَا لاَ تُزِغْ قُلُوبَنَا بَعْدَ إِذْ هَدَيْتَنَا وَهَبْ لَنَا مِن لَّدُنكَ رَحْمَةً إِنَّكَ أَنتَ الْوَهَّابُ. رَبَّنَا إِنَّنَا آمَنَّا فَاغْفِرْ لَنَا ذُنُوبَنَا وَقِنَا عَذَابَ النَّارِ. رَبِّ هَبْ لِي مِن لَّدُنْكَ ذُرِّيَّةً طَيِّبَةً إِنَّكَ سَمِيعُ الدُّعَاءِ. رَبَّنَا آمَنَّا بِمَا أَنزَلَتْ وَاتَّبَعْنَا الرَّسُولَ فَاكْتُبْنَا مَعَ الشَّاهِدِينَ. ربَّنَا اغْفِرْ لَنَا ذُنُوبَنَا وَإِسْرَافَنَا فِي أَمْرِنَا وَثَبِّتْ أَقْدَامَنَا وانصُرْنَا عَلَى الْقَوْمِ الْكَافِرِينَ. رَبَّنَا مَا خَلَقْتَ هَذا بَاطِلاً سُبْحَانَكَ فَقِنَا عَذَابَ النَّارِ. رَبَّنَا إِنَّكَ مَن تُدْخِلِ النَّارَ فَقَدْ أَخْزَيْتَهُ وَمَا لِلظَّالِمِينَ مِنْ أَنصَارٍ رَّبَّنَا إِنَّنَا سَمِعْنَا مُنَادِيًا يُنَادِي لِلإِيمَانِ أَنْ آمِنُواْ بِرَبِّكُمْ فَآمَنَّا رَبَّنَا فَاغْفِرْ لَنَا ذُنُوبَنَا وَكَفِّرْ عَنَّا سَيِّئَاتِنَا وَتَوَفَّنَا مَعَ الأبْرَارِ. رَبَّنَا وَآتِنَا مَا وَعدتَّنَا عَلَى رُسُلِكَ وَلاَ تُخْزِنَا يَوْمَ الْقِيَامَةِ إِنَّكَ لاَ تُخْلِفُ الْمِيعَادَ. رَبَّنَا ظَلَمْنَا أَنفُسَنَا وَإِن لَّمْ تَغْفِرْ لَنَا وَتَرْحَمْنَا لَنَكُونَنَّ مِنَ الْخَاسِرِينَ. رَبَّنَا لاَ تَجْعَلْنَا مَعَ الْقَوْمِ الظَّالِمِينَ. حَسْبِيَ اللّهُ لا إِلَهَ إِلاَّ هُوَ عَلَيْهِ تَوَكَّلْتُ وَهُوَ رَبُّ الْعَرْشِ الْعَظِيمِ. رَبَّنَا لاَ تَجْعَلْنَا فِتْنَةً لِّلْقَوْمِ الظَّالِمِينَ وَنَجِّنَا بِرَحْمَتِكَ مِنَ الْقَوْمِ الْكَافِرِينَ. رَبِّ اجْعَلْ هَذَا الْبَلَدَ آمِنًا وَاجْنُبْنِي وَبَنِيَّ أَن نَّعْبُدَ الأَصْنَامَ. رَبِّ اجْعَلْنِي مُقِيمَ الصَّلاَةِ وَمِن ذُرِّيَّتِي رَبَّنَا وَتَقَبَّلْ دُعَاءِ. رَبَّنَا اغْفِرْ لِي وَلِوَالِدَيَّ وَلِلْمُؤْمِنِينَ يَوْمَ يَقُومُ الْحِسَابُ. رَبَّنَا آتِنَا مِن لَّدُنكَ رَحْمَةً وَهَيِّئْ لَنَا مِنْ أَمْرِنَا رَشَدًا. رَبِّ اشْرَحْ لِي صَدْرِي، وَيَسِّرْ لِي أَمْرِي. رَّبِّ زِدْنِي عِلْمًا. لا إِلَهَ إِلا أَنتَ سُبْحَانَكَ إِنِّي كُنتُ مِنَ الظَّالِمِينَ. رَبِّ لا تَذَرْنِي فَرْدًا وَأَنتَ خَيْرُ الْوَارِثِينَ. رَّبِّ أَعُوذُ بِكَ مِنْ هَمَزَاتِ الشَّيَاطِينِ وَأَعُوذُ بِكَ رَبِّ أَن يَحْضُرُونِ. رَبَّنَا آمَنَّا فَاغْفِرْ لَنَا وَارْحَمْنَا وَأَنتَ خَيْرُ الرَّاحِمِينَ. رَّبِّ اغْفِرْ وَارْحَمْ وَأَنتَ خَيْرُ الرَّاحِمِينَ. رَبَّنَا اصْرِفْ عَنَّا عَذَابَ جَهَنَّمَ إِنَّ عَذَابَهَا كَانَ غَرَامًا. إِنَّهَا سَاءَتْ

[1] এইবোৰ হৈছে কিছুমান গুৰুত্বপূৰ্ণ দুআ, যিবোৰ কোৰআন আৰু ছহীহ হাদীছৰ পৰা সংগ্ৰহ কৰা হৈছে। এই দুআবোৰ আপুনি যিকোনো ঠাই আৰু যিকোনো সময়তে পঢ়িব পাৰিব। উদাহৰণস্বৰূপেঃ তাৱাফ কৰাৰ সময়ত, ছায়ী কৰাৰ সময়ত, আৰাফা আৰু মুজদালিফাত অৱস্থানকালত। কিন্তু এই দুআবোৰ কোনো ঠাই বা সময়ৰ সৈতে নিৰ্দিষ্ট নহয়।

مُسْتَقَرًّا وَمُقَامًا. رَبَّنَا هَبْ لَنَا مِنْ أَزْوَاجِنَا وَذُرِّيَّاتِنَا قُرَّةَ أَعْيُنٍ وَاجْعَلْنَا لِلْمُتَّقِينَ إِمَامًا. رَبِّ أَوْزِعْنِي أَنْ أَشْكُرَ نِعْمَتَكَ الَّتِي أَنْعَمْتَ عَلَيَّ وَعَلَى وَالِدَيَّ وَأَنْ أَعْمَلَ صَالِحًا تَرْضَاهُ وَأَدْخِلْنِي بِرَحْمَتِكَ فِي عِبَادِكَ الصَّالِحِينَ. رَبِّ إِنِّي ظَلَمْتُ نَفْسِي فَاغْفِرْ لِي. رَبِّ نَجِّنِي مِنَ الْقَوْمِ الظَّالِمِينَ. عَسَى رَبِّي أَن يَهْدِيَنِي سَوَاءَ السَّبِيلِ. رَبِّ إِنِّي لِمَا أَنزَلْتَ إِلَيَّ مِنْ خَيْرٍ فَقِيرٌ. رَبِّ هَبْ لِي مِنَ الصَّالِحِينَ. رَبِّ أَوْزِعْنِي أَنْ أَشْكُرَ نِعْمَتَكَ الَّتِي أَنْعَمْتَ عَلَيَّ وَعَلَى وَالِدَيَّ وَأَنْ أَعْمَلَ صَالِحًا تَرْضَاهُ وَأَصْلِحْ لِي فِي ذُرِّيَّتِي إِنِّي تُبْتُ إِلَيْكَ وَإِنِّي مِنَ الْمُسْلِمِينَ. رَّبَّنَا عَلَيْكَ تَوَكَّلْنَا وَإِلَيْكَ أَنَبْنَا وَإِلَيْكَ الْمَصِيرُ. رَبَّنَا اغْفِرْ لَنَا وَلِإِخْوَانِنَا الَّذِينَ سَبَقُونَا بِالإِيمَانِ وَلا تَجْعَلْ فِي قُلُوبِنَا غِلاً لِّلَّذِينَ آمَنُوا رَبَّنَا إِنَّكَ رَؤُوفٌ رَّحِيمٌ. رَبَّنَا لا تَجْعَلْنَا فِتْنَةً لِّلَّذِينَ كَفَرُوا وَاغْفِرْ لَنَا رَبَّنَا إِنَّكَ أَنتَ الْعَزِيزُ الْحَكِيمُ. رَبَّنَا أَتْمِمْ لَنَا نُورَنَا وَاغْفِرْ لَنَا إِنَّكَ عَلَى كُلِّ شَيْءٍ قَدِيرٌ.

"ৰাব্বানা তাক্বাব্বাল মিন্না ইন্নাকা আংতাছ ছামীউল আলীম।"

অৰ্থঃ ‘হে আমাৰ প্ৰতিপালক! আমাৰ ফালৰ পৰা (এই আমলসমূহ) তুমি কবুল কৰা। নিশ্চয় তুমি সৰ্বশ্ৰোতা, সৰ্বজ্ঞ’।

"অতুব আলাইনা ইন্নাকা আংতাত তাওৱাবুৰ ৰাহীম।"

অৰ্থঃ আৰু তুমি আমাৰ তাওবা কবূল কৰা। নিশ্চয় তুমি তাওবা কবুলকাৰী অত্যন্ত দয়ালু।

"ৰাব্বানা আ-তিনা ফিদ্দুনিয়া হাছানাহ, অফিল আ-খিৰাতি হাছানাহ, অক্বিনা আজাবান না-ৰ।"

অৰ্থঃ হে আমাৰ প্ৰতিপালক! আমাক পৃথিৱীত কল্যাণ প্ৰদান কৰা আৰু আখিৰাততো কল্যাণ দান কৰা, লগতে আমাক জাহান্নামৰ শাস্তিৰ পৰা ৰক্ষা কৰা।

"ৰাব্বানা লা তুআখিজনা ইন নাছীনা আউ আখ ত্ব না।"

অৰ্থঃ হে আমাৰ প্ৰতিপালক! যদি আমি পাহৰি যাওঁ অথবা ভুল কৰোঁ, তেনেহ'লে তুমি আমাক জবাবদিহি নকৰিবা।

"ৰাব্বানা অলা তাহমিল আলাইনা ইচৰাং কামা হামালতাহু আলাল লাজীনা মিং ক্বলিনা।"

অৰ্থঃ হে আমাৰ প্ৰতিপালক! আমাৰ পূৰ্ব্বৱৰ্তীসকলৰ ওপৰত তুমি যিদৰে বোজা অৰ্পণ কৰিছিলা, আমাৰ ওপৰত তেনেকুৱা বোজা অৰ্পণ নকৰিবা।

"ৰাব্বানা অলা তুহাম্মিলনা মা-লা ত্ব-ক্বাতা লানা বিহি অ'ফু আন্না অগফিৰলানা অৰহামনা আংতা মাউলানা ফাংচুৰনা আলাল ক্বাউমিল কাফিৰীন।"

অৰ্থঃ হে আমাৰ প্ৰতিপালক! তুমি আমাক এনেকুৱা বোজা বহন নকৰাবা, যিটো বহন কৰাৰ সামৰ্থ আমাৰ নাই; আৰু তুমি আমাৰ পাপসমূহ মোচন কৰি দিয়া, আমাক ক্ষমা কৰি দিয়া, আৰু আমাৰ প্ৰতি দয়া কৰা, তুমিয়েই আমাৰ অভিভাৱক। গতিকে কাফিৰ সম্প্ৰদায়ৰ বিৰুদ্ধে আমাক সহায় কৰা।

"ৰাব্বানা লা তুঝিগ কুলূবানা বা'দা ইজ হাদাইতানা অহাব লানা মিল লাদুনকা ৰাহমাহ, ইন্নাকা আংতাল অহ্হাব।"

অৰ্থঃ হে আমাৰ প্ৰতিপালক! সৰল পথ প্ৰদান কৰাৰ পিছত তুমি আমাৰ অন্তৰসমূহক সত্য লঙঘনপ্ৰৱণ নকৰিবা আৰু তোমাৰ তৰফৰ পৰা আমাক ৰহমত প্ৰদান কৰা, নিশ্চয় তুমি মহাদাতা।

"ৰাব্বানা ইন্নানা আ-মান্না ফাগফিৰ লানা জুনূবানা অক্বিনা আজাবান না-ৰ।"

অৰ্থঃ হে আমাৰ প্ৰতিপালক! নিশ্চয় আমি ঈমান আনিছোঁ; গতিকে তুমি আমাৰ গুণাহসমূহ ক্ষমা কৰি দিয়া আৰু আমাক জাহান্নামৰ শাস্তিৰ পৰা ৰক্ষা কৰা'।

"ৰাব্বি হাবলী মিল্লাদুনকা জুৰ্ৰিয়াতান তায়্যিবাহ, ইন্নাকা ছামীউদ দুআ।"

অৰ্থঃ 'হে মোৰ প্ৰতিপালক! তুমি মোক তোমাৰ ফালৰ পৰা উত্তম সন্তান প্ৰদান কৰা। নিশ্চয় তুমি প্ৰাৰ্থনা শ্ৰৱণকাৰী'।

"ৰাব্বানা আ-মান্না বিমা আংঝাল্‌তা অত্তাবা'নাৰ ৰাছূলা ফাক্‌তুব্‌না মা'আশ্ব-শ্বাহিদীন।"

অৰ্থঃ 'হে আমাৰ প্ৰতিপালক! তুমি যি অৱতীৰ্ণ কৰিছা তাৰ প্ৰতি আমি ঈমান আনিছোঁ, আৰু আমি ৰাছুলৰ অনুসৰণ কৰিছোঁ। এতেকে আমাক সাক্ষ্যদানকাৰীসকলৰ তালিকাভুক্ত কৰি লোৱা'।

"ৰাব্বানাগফিৰ লানা জুনূবানা ৱা ইছৰাফানা ফী আম্ৰিনা অছাব্বিত্ আক্‌দা-মানা অংচুৰনা আলাল্ কওমিল্ কাফিৰীন"

অৰ্থঃ 'হে আমাৰ প্ৰতিপালক! পাপকৰ্ম আৰু আমাৰ কৰ্মৰাজিত হোৱা আমাৰ সীমালংঘন তুমি ক্ষমা কৰি দিয়া, আমাৰ ভৰি অবিচল ৰখা আৰু কাফিৰ সম্প্ৰদায়ৰ বিৰুদ্ধে আমাক সহায় কৰা'।

"ৰাব্বানা মা খালাক্‌তা হা-যা বাত্বিলা, ছুব্‌হা-নাকা ফাকিনা আজা-বান্না-ৰ।"

অৰ্থঃ ‘হে আমাৰ প্ৰতিপালক! তুমি এইবোৰ অনৰ্থক সৃষ্টি কৰা নাই, তুমি অত্যন্ত পৱিত্ৰ, এতেকে তুমি আমাক জুইৰ শাস্তিৰ পৰা ৰক্ষা কৰা’।

"ৰাব্বানা ইন্নাকা মাং তুদ্‌খিলিন্না-ৰা ফাকাদ্ আখ্‌ঝাইতাহ, অমা লিজ্‌জালিমীনা মিন্ আংছাৰ।"

অৰ্থঃ হে আমাৰ প্ৰতিপালক! ‘নিশ্চয় তুমি যাক জুইত নিক্ষেপ কৰিবা, অৱশ্যে তুমি তাক অপমান কৰিবা; আৰু যালিমসকলৰ বাবে কোনো সহায়কাৰী নাই’।

"ৰাব্বানা ইন্নানা ছামি’না মুনাদিয়াঁই য়ুনাদি লিল্-ঈমান, আন্ আ-মিনু বিৰাব্বিকুম, ফাআ-মান্না।

ৰাব্বানা ফাগ্‌ফিৰ্ লানা জুনূবানা অকাফ্‌ফিৰ্ আ’ন্না ছাইয়্যি’আতিনা অতাওাফ্‌ফানা মা’আল্-আব্‌ৰাৰ।"

অৰ্থঃ হে আমাৰ প্ৰতিপালক! ‘আমি এজন আহ্বায়কক ঈমানৰ পিনে আহ্বান কৰা শুনিছোঁ যে, ‘তোমালোকে তোমালোকৰ প্ৰতিপালকৰ প্ৰতি ঈমান আনা’। সেয়ে আমি ঈমান আনিছোঁ। হে আমাৰ প্ৰতিপালক! ‘তুমি আমাৰ পাপসমূহ ক্ষমা কৰি দিয়া, আৰু আমাৰ ত্ৰুটি-বিচ্যুতিসমূহ দূৰ কৰা আৰু আমাক সৎকৰ্মপৰায়ণ লোকসকলৰ সহগামী কৰি মৃত্যু প্ৰদান কৰা’।

"ৰাব্বানা ৱা আ’তিনা মা ৱা’আদ্‌তানা আ’লা ৰুছুলিকা অলা তুখ্‌ঝিনা য়াওমাল্ কিয়ামাহ্। ইন্নাকা লা তুখ্‌লিফুল্ মী’আদ।"

অৰ্থঃ হে আমাৰ প্ৰতিপালক! ‘তোমাৰ ৰাছুলসকলৰ মাধ্যমত আমাক যিটো দিবলৈ প্ৰতিশ্ৰুতি দিছা সেয়া আমাক দান কৰা আৰু কিয়ামতৰ দিনা আমাক অপমান নকৰিবা। নিশ্চয় তুমি প্ৰতিশ্ৰুতিৰ ব্যতিক্ৰম নকৰা’।

"ৰাব্বানা জালাম্‌না আংফুছানা, ৱা ইল্লাম্ তাগ্‌ফিৰ্ লানা অতাৰহাম্‌না লানাকূনান্না মিনাল্ খা-ছিৰীন।"

অৰ্থঃ ‘হে আমাৰ প্ৰতিপালক! আমি নিজৰে প্ৰতি অন্যায় কৰিছোঁ, আৰু যদি তুমি আমাক ক্ষমা কৰি নিদিয়া আৰু আমাৰ প্ৰতি দয়া নকৰা, তেন্তে নিশ্চয় আমি ক্ষতিগ্ৰস্তসকলৰ অন্তৰ্ভুক্ত হৈ যাম’।

"ৰাব্বানা লা তাজ’আল্‌না মা’আল্ কাওমিজ্‌জা-লিমীন।"

অৰ্থঃ ‘হে আমাৰ প্ৰতিপালক! আমাক কেতিয়াও যালিম সম্প্ৰদায়ৰ সঙ্গী নকৰিবা’।

"হাছ্‌বিয়াল্লাহু লা ইলাহা ইল্লা হু, আলাইহি তাৱাক্কাল্‌তু, অহুৱা ৰাব্বুল্ আৰ্শ্বিল আজিম।"

অৰ্থঃ ‘মোৰ বাবে আল্লাহেই যথেষ্ট, তেওঁৰ বাহিৰে আন কোনো সত্য ইলাহ নাই। মই তেওঁৰ ওপৰতেই নিৰ্ভৰ কৰোঁ আৰু তেৱেঁই মহা আৰছৰ প্ৰতিপালক।

"ৰাব্বানা লা তাজ’আল্‌না ফিত্‌নাতাল্ লিল্ কাওমিজ্‌জা-লিমীন, অনাজ্জিনা বিৰাহ্‌মাতিকা মিনাল্ কাওমিল্ কা-ফিৰীন।"

অৰ্থঃ হে আমাৰ প্ৰতিপালক! তুমি আমাক যালিম সম্প্ৰদায়ৰ উৎপীড়নৰ পাত্ৰ নকৰিবা, আৰু তুমি

আমাক তোমাৰ অনুগ্ৰহৰ দ্বাৰা কাফিৰ সম্প্ৰদায়ৰ পৰা ৰক্ষা কৰা’।

"ৰাব্বিজ্‌আল হা-যাল্ বালাদা আ-মিনাওঁ, অজ্‌নুবনী অবানিয়্যা আন-না’বুদাল্ আচনাম।"

অৰ্থঃ ‘হে মোৰ প্ৰতিপালক! এই চহৰখনক নিৰাপদ কৰি দিয়া, মোক আৰু মোৰ পুত্ৰসকলক মূৰ্তি পূজাৰ পৰা দূৰৈত ৰখা’।

"ৰাব্বিজ্‌আ’ল্‌নী মুকীমাছ্ ছলা-তি, অমিন্ জুৰ্ৰিয়্যাতি। ৰাব্বানা অতাকাব্বাল্ দু’আ।"

অৰ্থঃ ‘হে মোৰ প্ৰতিপালক! মোক ছালাত প্ৰতিষ্ঠাকাৰী বনাই দিয়া, লগতে মোৰ বংশধৰ সকলকো। হে আমাৰ প্ৰতিপালক! আৰু মোৰ দুআ কবুল কৰা’।

"ৰাব্বানাগফিৰ্লি অলিওৱালিদাইয়া অলিল্ মু'মিনীনা য়াওমা য়াকূমুল্ হিছাব।"

অৰ্থঃ ‘হে আমাৰ প্ৰতিপালক! যিদিনা হিচাপ-নিকাচ অনুষ্ঠিত হ’ব, সেইদিনা মোক আৰু মোৰ পিতৃ-মাতৃক লগতে মুমিনসকলক ক্ষমা কৰি দিবা’।

"ৰাব্বানা আ’তিনা মিল্ লাদুন্‌কা ৰাহ্‌মাতাওঁ, অহাইয়্যি লানা মিন্ আম্ৰিনা ৰাশ্বাদা।"

অৰ্থঃ ‘হে আমাৰ প্ৰতিপালক! তুমি তোমাৰ ফালৰ পৰা আমাক অনুগ্ৰহ দান কৰা আৰু আমাৰ বাবে আমাৰ কৰ্মৰাজি সঠিকভাৱে পৰিচালনাৰ ব্যৱস্থা কৰা’।

"ৰাব্বিশ্ব ৰাহ্ লি চাদ্‌ৰি ৱা য়াচ্ছিৰ লি আম্ৰী।"

অৰ্থঃ ‘হে মোৰ প্ৰতিপালক! মোৰ বুকু প্ৰশস্ত কৰি দিয়া, আৰু মোৰ কৰ্মৰাজি সহজ কৰি দিয়া।

"ৰাব্বি ঝিদ্‌নি ইল্মা।"

অৰ্থঃ "হে মোৰ প্ৰতিপালক! মোৰ জ্ঞান বৃদ্ধি কৰি দিয়া"।

"লা ইলাহা ইল্লা আন্‌তা ছুব্‌হা-নাকা ইন্নি কুংতু মিনাজ্‌জা-লিমীন।"

অৰ্থঃ তোমাৰ বাহিৰে আন কোনো সত্য ইলাহ নাই, তুমি পৱিত্ৰ মহান, নিশ্চয় মই অন্যায় কৰিছিলোঁ।

"ৰাব্বি লা তাজাৰ্নি ফাৰ্দাওঁ ৱা আন্‌তা খাইৰুল ৱা-ৰিছীন।"

অৰ্থঃ ‘হে মোৰ প্ৰতিপালক! মোক অকলশৰীয়াকৈ (নিঃসন্তান) নাৰাখিবা, তুমিয়েইতো শ্ৰেষ্ঠ উত্তৰাধিকাৰী’।

"ৰাব্বি আ’উজু বিকা মিন্ হামাজাতিশ্ব-শ্বায়াত্বীন, ৱা আ’উজু বিকা ৰাব্বি আঁইয়াহজুৰূন।"

অৰ্থঃ ‘হে মোৰ প্ৰতিপালক! মই চয়তানৰ প্ৰৰোচনাৰ পৰা তোমাৰ ওচৰত আশ্ৰয় প্ৰাৰ্থনা কৰোঁ’। আৰু হে মোৰ প্ৰতিপালক! মোৰ ওচৰত সিহঁতৰ (চয়তানবোৰৰ) উপস্থিতিৰ পৰা, মই তোমাৰ ওচৰত আশ্ৰয় প্ৰাৰ্থনা কৰোঁ’।

"ৰাব্বানা আ-মান্না ফাগ্‌ফিৰ্ লানা অৰ্‌হাম্‌না ৱা আন্‌তা খাইৰুৰ্ ৰাহিমীন।"

অৰ্থঃ ‘হে আমাৰ প্ৰতিপালক! আমি ঈমান আনিছোঁ, এতেকে তুমি আমাক ক্ষমা কৰা আৰু আমাৰ প্ৰতি দয়া কৰা, আৰু তুমিয়ে সৰ্বশ্ৰেষ্ঠ দয়ালু’।

"ৰাব্বিগফিৰ্ অৰ্হাম্, ৱা আন্তা খাইৰুৰ্ ৰাহিমীন।"

অৰ্থঃ হে মোৰ প্ৰতিপালক! ক্ষমা কৰা আৰু দয়া কৰা, কাৰণ তুমিয়ে সৰ্বোৎকৃষ্ট দয়ালু।

"ৰাব্বানাছ্ৰিফ্ আ’ন্না আজাবা জাহান্নাম, ইন্না আজাবাহা কা-না গাৰামা। ইন্নাহা ছা-আত্ মুস্তাকাৰাওঁ অমুকামা।"

অৰ্থঃ ‘হে আমাৰ প্ৰতিপালক! তুমি আমাৰ পৰা জাহান্নামৰ শাস্তি আঁতৰাই দিয়া, নিশ্চয় ইয়াৰ শাস্তি অবিচ্ছিন্ন। ‘নিশ্চয় জাহান্নাম হৈছে বসবাস আৰু অৱস্থানস্থল হিচাপে অতি নিকৃষ্ট’।

"ৰাব্বানা হাব্ লানা মিন্ আঝৱাজিনা অজুৰ্ৰিয়্যাতিনা কুৰ্তা আ’ইয়ুন, অজ্আল্না লিল্ মুত্তাকিনা ইমামা।"

অৰ্থঃ ‘হে আমাৰ প্ৰতিপালক! আমাক এনেকুৱা স্ত্ৰী আৰু সন্তান-সন্ততি দান কৰা, যাৰ দ্বাৰা আমাৰ চকু জুৰ পৰি যায়। লগতে তুমি আমাক মুত্তাক্বীসকলৰ বাবে অনুসৰণযোগ্য বনাই দিয়া’।

"ৰাব্বি আওঝিঅ্নি আন্ আশ্বকুৰা নি'মাতাকাল্লাতি আন্আম্তা আলায়্যা ৱা আ’লা ৱা-লিদাইয়্যা,

ৱা আন্ আ’মালা ছ-লিহান তাৰজা-হ, ৱা আদ্খিল্নি বিৰাহ্মাতিকা ফী ইবাদিকাছ্ ছ-লিহীন।"

অৰ্থঃ হে মোৰ প্ৰতিপালক! তুমি মোক সামৰ্থ দিয়া, যাতে মই তোমাৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰিব পাৰোঁ, মোৰ প্ৰতি আৰু মোৰ পিতৃ-মাতৃৰ প্ৰতি তুমি যি অনুগ্ৰহ কৰিছা তাৰ বাবে, লগতে যাতে মই এনেকুৱা সৎকৰ্ম কৰিব পাৰোঁ যিটো তুমি পছন্দ কৰা, আৰু মোৰ বাবে মোৰ সন্তান-সন্ততিসকলক সংশোধন কৰি দিয়া, নিশ্চয় মই তোমাৰেই অভিমুখী হৈছোঁ আৰু নিশ্চয় মই মুছলিমসকলৰ অন্তৰ্ভুক্ত।

"ৰাব্বি ইন্নি জালাম্‌তু নাফ্‌ছি ফাগ্‌ফিৰ্‌ লী।"

অৰ্থঃ ‘হে মোৰ প্ৰতিপালক! নিশ্চয় মই মোৰ নিজৰ প্ৰতি অন্যায় কৰিছোঁ, গতিকে তুমি মোক ক্ষমা কৰা’।

"ৰাব্বি নাজ্জিনি মিনাল্‌ কাওমিজ্‌জা-লিমীন।"

অৰ্থঃ ‘হে মোৰ প্ৰতিপালক! তুমি মোক যালিম সম্প্ৰদায়ৰ পৰা ৰক্ষা কৰা’।

"আ’ছা ৰাব্বী আঁয়্যাহ্‌দিয়ানি ছাৱা আচ্ছাবীল।"

অৰ্থঃ ‘আশা কৰোঁ মোৰ প্ৰতিপালকে মোক সৰল পথ দেখুৱাব’।

"ৰাব্বী ইন্নি লিমা আংঝাল্‌তা ইলায়্যা মিন্‌ খাইৰিন্‌ ফাকীৰ।"

অৰ্থঃ ‘হে মোৰ প্ৰতিপালক! নিশ্চয় তুমি মোৰ প্ৰতি যি অনুগ্ৰহেই অৱতীৰ্ণ নকৰা কিয়, মই সেইটোৰে মুখাপেক্ষী’।

"ৰাব্বী হাব্‌লি মিনাচ্ছা-লিহীন।"

অৰ্থঃ ‘হে মোৰ প্ৰতিপালক! মোক এজন সৎকৰ্মপৰায়ণ সন্তান দান কৰা’।

"ৰাব্বী আওঝিঅ্নি আন্ আশ্বকুৰা নি'মাতাকাল্লাতি আন্আম্তা আ'লাইয়া ৱা আ'লা ৱা-লিদাইয়া, ৱা আন্ আ'মালা ছ-লিহান তাৰজা-হ, ৱা আচলিহ্ লী ফী জুৰ্ৰিয়্যাতি। ইন্নী তুব্তু ইলাইকা, ৱা ইন্নী মিনাল্ মুছলিমীন।"

অৰ্থঃ হে মোৰ প্ৰতিপালক! তুমি মোক সামৰ্থ দিয়া, যাতে মই তোমাৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰিব পাৰোঁ, মোৰ প্ৰতি আৰু মোৰ পিতৃ-মাতৃৰ প্ৰতি তুমি যি অনুগ্ৰহ কৰিছা তাৰ বাবে, লগতে যাতে মই এনেকুৱা সৎকৰ্ম কৰিব পাৰোঁ যিটো তুমি পছন্দ কৰা, আৰু মোৰ বাবে মোৰ সন্তান-সন্ততিসকলক সংশোধন কৰি দিয়া, নিশ্চয় মই তোমালৈহে অভিমুখী হৈছোঁ আৰু নিশ্চয় মই মুছলিমসকলৰ অন্তৰ্ভুক্ত।

"ৰাব্বানা আ'লাইকা তাৱাক্কাল্না ৱা ইলাইকা আনাব্না ৱা ইলাইকাল্ মাচীৰ।"

অৰ্থঃ হে আমাৰ প্ৰতিপালক! আমি তোমাৰ ওপৰতে ভৰসা কৰিছোঁ, আৰু তোমালৈহে অভিমুখী হৈছোঁ, আৰু তোমাৰ ফালেই (আমাৰ) প্ৰত্যাৱৰ্তন।

"ৰাব্বানাগফিৰ্ লানা অলি ইখ্ৱানিনাল্লাজিনা ছাবাকূনা বিল্ ঈমান, অলা তাজ'আল্ ফী কুলূবিনা গিল্লাল্লিল্লাজিনা আ-মানু। ৰাব্বানা ইন্নাকা ৰাউফুৰ্ ৰাহীম।

অৰ্থঃ 'হে আমাৰ প্ৰতিপালক! আমাক আৰু আমাৰ পূৰ্বে ঈমান পোষণ কৰা আমাৰ ভাতৃসকলক ক্ষমা কৰি দিয়া; আৰু যিসকলে ঈমান আনিছে তেওঁলোকৰ

বিৰুদ্ধে আমাৰ অন্তৰত কোনো বিদ্বেষ নাৰাখিবা। হে আমাৰ প্ৰতিপালক! নিশ্চয় তুমি অত্যন্ত স্নেহশীল, পৰম দয়ালু’।

"ৰাব্বানা লা তাজ’আল্‌না ফিত্‌নাতাল্‌ লিল্লাজিনা কাফাৰূ, অগফিৰ লানা। ৰাব্বানা ইন্নাকা আন্‌তাল্‌ আ’ঝীঝুল্‌ হাকীম।"

অৰ্থঃ ‘হে আমাৰ প্ৰতিপালক! তুমি আমাক কাফিৰসকলৰ ফিতনাৰ পাত্ৰ নকৰিবা। হে আমাৰ প্ৰতিপালক! তুমি আমাক ক্ষমা কৰি দিয়া; নিশ্চয় তুমি পৰাক্ৰমশালী, প্ৰজ্ঞাময়’।

"ৰাব্বানা আত্‌মিম্‌ লানা নূৰানা অগফিৰ লানা। ইন্নাকা আ’লা কুল্লি শ্বায়’ইন্‌ কাদীৰ।"

অৰ্থঃ হে আমাৰ প্ৰতিপালক! আমাৰ বাবে আমাৰ নূৰক পূৰ্ণতা দান কৰা, আৰু আমাক ক্ষমা কৰি দিয়া, নিশ্চয় তুমি সকলো বস্তুৰ ওপৰত ক্ষমতাৱান।

## দ্বিতীয়ঃ হাদীছে নবৱীৰ পৰা সংগৃহীত দুআসমূহ।

اللَّهمَّ إِنِّي أَعُوذُ بِكَ مِنْ فِتْنَةِ النَّارِ وَعَذَابِ النَّارِ، وَفِتْنَةِ الْقَبْرِ، وَعَذَابِ الْقَبْر، ◌ِ
وَشَرِّ فِتْنَةِ الْغِنَى، وَشَرِّ فِتْنَةِ الْفَقْرِ.

"আল্লাহুম্মা ইন্নী আ'উজু বিকা মিন ফিতনাতিন্‌-নাৰি ৱা আযাবিন্না-ৰ, অফিতনাতিল-কাবৰি, ৱা আযাবিল-কাব্ৰ, অশ্বাৰ্ৰি ফিতনাতিল-গিনা, অশ্বাৰ্ৰি ফিতনাতিল-ফাক্ৰ।"

অৰ্থঃ হে আল্লাহ! মই তোমাৰ ওচৰত আশ্ৰয় বিচাৰোঁ জাহান্নামৰ ফিতনা আৰু জাহান্নামৰ শাস্তিৰ পৰা, কবৰৰ ফিতনা আৰু কবৰৰ শাস্তিৰ পৰা, ধন-সম্পদৰ

ফিতনাৰ অনিষ্টৰ পৰা আৰু দাৰিদ্ৰ্যতাৰ ফিতনাৰ অনিষ্টৰ পৰা।

اللَّهمَّ إِنِّي أَعُوذُ بِكَ مِنْ فِتْنَةِ الْمَسِيحِ الدَّجَّالِ.

"আল্লাহুম্মা ইন্নী আ'উজু বিকা মিন ফিতনাতিল-মাছীহিদ্-দাজ্জাল।"

অৰ্থঃ হে আল্লাহ! মই তোমাৰ ওচৰত আশ্ৰয় বিচাৰোঁ মছীহুদ দাজ্জালৰ ফিতনাৰ পৰা।

اللَّهمَّ اغْسِلْ قَلْبِي بِمَاءِ الثَّلْجِ وَالْبَرَدِ، وَنَقِّ قَلْبِي مِنَ الْخَطَايَا كَمَا نَقَّيتَ الثَّوْبَ الْأَبْيَضَ مِنَ الدَّنَسِ، وَبَاعِدْ بَيْنِي وَبَيْنَ خَطَايَايَ كَمَا بَاعَدْتَ بَيْنَ الْمَشْرِقِ وَالْمَغْرِبِ.

"আল্লাহুম্মাগ্ছিল্ কাল্বী বিমা-ইছ ছালজি অল বাৰাদ, অনাক্কি কাল্বী মিনাল খাতায়া, কামা নাক্কাইতা ছাওবাল আবয়াজা মিনাদ্-দানাছ, অবা-য়িদ বাইনী অবাইনা খাতায়ায়া কামা বাআদ্তা বাইনাল মাশ্বৰিক্বি অল মাগ্ৰিব।"

অৰ্থঃ হে আল্লাহ! বৰফেৰে আৰু শীতল পানীৰে মোৰ অন্তৰ ধুই দিয়া, আৰু মোৰ হৃদয়ক পাপ-পঙ্কিলতাৰ পৰা এনেকৈ পৰিষ্কাৰ কৰি দিয়া, যিদৰে তুমি বগা কাপোৰক ময়লাৰ পৰা পৰিষ্কাৰ কৰা। মোৰ আৰু মোৰ পাপসমূহৰ মাজত দূৰত্ব সৃষ্টি কৰি দিয়া, যিদৰে দূৰত্ব সৃষ্টি কৰিছা তুমি পূব আৰু পশ্চিমৰ মাজত।

اللَّهمَّ إِنِّي أَعُوذُ بِكَ مِنَ الْكَسَلِ وَالْهَرَمِ وَالْمَأْثَمِ وَالْمَغْرَمِ.

"আল্লাহুম্মা ইন্নী আ’উজু বিকা মিনাল কাছাল, অল হাৰাম, অল মা’ছাম, অল মাগ্ৰাম।"

অৰ্থঃ হে আল্লাহ! মই তোমাৰ ওচৰত আশ্ৰয় প্ৰাৰ্থনা কৰোঁ অলসতাৰ পৰা, বৃদ্ধ অৱস্থাৰ পৰা, লগতে পাপকৰ্ম আৰু ঋণৰ বোজাৰ পৰা।

اللَّهمَّ إِنِّي أَعُوذ بِك مِنَ الْعَجْز وَالْكَسَل، وَالْجُبْن وَالْهَرَم وَالْبُخْل، وَأَعُوذ بِك مِنْ عَذَاب الْقَبْر، وَمِنْ شَرِّ فِتْنَة الْمَحْيَا وَالْمَمَات.

"আল্লাহুম্মা ইন্নী আ'উজু বিকা মিনাল আ'জঝি অল কাছাল, অল জুব্নি অল হাৰাম, অল বুখল। ৱা আ'উজু বিকা মিন আজাবিল-কাব্ৰ, অমিন শ্বাৰ্ৰি ফিতনাতিল-মাহ্ য়া অল-মামাত।"

অৰ্থঃ হে আল্লাহ! মই তোমাৰ ওচৰত আশ্ৰয় প্ৰাৰ্থনা কৰোঁ অক্ষমতাৰ পৰা, অলসতাৰ পৰা, কাপুৰুষতাৰ পৰা, বৃদ্ধ অৱস্থাৰ পৰা আৰু কৃপণতাৰ পৰা। লগতে মই তোমাৰ ওচৰত আশ্ৰয় প্ৰাৰ্থনা কৰোঁ কবৰৰ শাস্তিৰ পৰা, লগতে জীৱন আৰু মৃত্যুৰ সময়ৰ ফিতনাৰ অনিষ্টৰ পৰা।

اللَّهم إني أَعَوذُ بكَ مِنْ جَهْدِ الْبَلاءِ، وَدَرَكِ الشَّقَاءِ، وَسُوءِ الْقَضَاءِ، وَشَمَاتَةِ الأَعْدَاءِ.

"আল্লাহুম্মা ইন্নী আ'উজু বিকা মিন জাহদিল-বালা, অদাৰাকিশ্ব-শ্বাক্বা', অছূ-ইল্-ক্বাজা', অশ্বামাতাতিল আ'দা'।"

অৰ্থঃ হে আল্লাহ! মই তোমাৰ ওচৰত আশ্ৰয় প্ৰাৰ্থনা কৰোঁ বিপদ-আপদৰ কঠোৰতাৰ পৰা, দুৰ্ভাগ্যত পতিত হোৱাৰ পৰা, ভাগ্যৰ অশুভ পৰিণতিৰ পৰা আৰু শত্ৰুৰ আনন্দ হোৱাৰ পৰা।

اللَّهمَّ أَصلِحْ لِي دِينِي اَلَّذِي هُوَ عِصمَةُ أَمْرِي، وَأَصلِحْ لِي دُنْيَايَ اَلَّتِي فِيهَا مَعَاشِي، وَأَصلِحْ لِي آخِرَتِي اَلَّتِي إِلَيْهَا مَعَادِي، وَاجْعَلِ اَلْحَيَاةَ زِيَادَةً لِي فِي كُلِّ خَيْرٍ، وَاجْعَلِ اَلْمَوْتَ رَاحَةً لِي مِنْ كُلِّ شَرٍّ.

"আল্লাহুম্মা আচলিহ লী দ্বীনি আল্লাজী হুৱা ইচমাতু আম্রী। ৱা আচলিহ লী দুনিয়ায়া আল্লাতী ফীহা মাআশ্বী। ওৱা আচলিহ লী আখিৰাতী আল্লাতী ফীহা মাআদী। অজআলিল হায়াতা ঝিয়াদাতান লী ফী কুল্লি খাইৰ। অজআলিল মাওতা ৰা-হাতান লী মিন কুল্লি শ্বাৰ্ৰ।"

অৰ্থঃ হে আল্লাহ! তুমি মোৰ দ্বীনক সংশোধন কৰি দিয়া, এই দ্বীনেই হৈছে মোৰ নিৰাপত্তা; তুমি মোৰ দুনিয়া সংশোধন কৰি দিয়া, য'ত আছে মোৰ জীৱন-জীৱিকা, আৰু মোৰ পৰকালক সংশোধন কৰি দিয়া, য’ত মই উভতি যাব লাগিব। তুমি প্ৰতিটো কল্যাণৰ বাবে মোৰ আয়ু বঢ়াই দিয়া আৰু প্ৰতিটো পাপ বা অকল্যাণৰ পৰা ৰক্ষা কৰি তুমি মোৰ মৃত্যুক আৰামদায়ক বনাই দিয়া।

اللَّهمَّ إِنِّي أَسْأَلُكَ الْهُدَى، وَالتُّقَى، وَالْعَفَافَ، وَالْغِنَى.

"আল্লাহুম্মা ইন্নী আছ্আলুকাল হুদা, অত্-তুক্বা, অল আফা-ফা, অল গিনা।"

অৰ্থঃ হে আল্লাহ! মই তোমাৰ ওচৰত হিদায়ত প্ৰাৰ্থনা কৰোঁ, তাক্বৱা বিচাৰোঁ, চাৰিত্ৰিক পৱিত্ৰতা আৰু সচ্ছলতাৰ বাবে প্ৰাৰ্থনা জনাওঁ।

اللَّهمَّ إِنِّي أَعُوذُ بِكَ مِنَ الْعَجْزِ وَالْكَسَلِ، وَالْجُبْنِ وَالْبُخْلِ، وَالْهَرَمِ وَعَذَابِ الْقَبْرِ.

"আল্লাহুম্মা ইন্নী আ'উজু বিকা মিনাল আ'জৰি অল কাছাল, অল জুব্‌নি, অল বুখল, অল হাৰাম। ৱা আজাবিল-কাব্ৰ।"

অৰ্থঃ হে আল্লাহ! মই তোমাৰ ওচৰত আশ্ৰয় প্ৰাৰ্থনা কৰোঁ অক্ষমতাৰ পৰা, অলসতাৰ পৰা, কাপুৰুষতাৰ পৰা, কৃপণতাৰ পৰা আৰু বৃদ্ধ অৱস্থাৰ পৰা, লগতে কবৰৰ শাস্তিৰ পৰা।

اللَّهمَّ آتِ نَفْسِي تَقْوَاهَا، وَزَكِّهَا أَنْتَ خَيْرُ مَنْ زَكَّاهَا، أَنْتَ وَلِيُّهَا وَمَوْلَاهَا.

"আল্লাহুম্মা আতি নাফ্‌ছী তাক্বৱাহা, অঝাক্কিহা আন্তা খাইৰু মান ঝাক্কা-হা, আন্তা অলিয়্যুহা ৱা মাওলাহা।"

অৰ্থঃ হে আল্লাহ! মোৰ অন্তৰত তাক্বৱা দান কৰা, আৰু ইয়াক পৰিশুদ্ধ কৰি দিয়া, কাৰণ তুমিয়ে সৰ্বোত্তম পৰিশুদ্ধকাৰী। তুমিয়েই ইয়াৰ অভিভাৱক আৰু ৰক্ষক।

اللَّهمَّ إِنِّي أَعُوذُ بِكَ مِنْ عِلْمٍ لَا يَنْفَعُ، وَمِنْ قَلْبٍ لَا يَخْشَعُ، وَمِنْ نَفْسٍ لَا تَشْبَعُ، وَمِنْ دَعْوَةٍ لَا يُسْتَجَابُ لَهَا.

"আল্লাহুম্মা ইন্নী আ'উজু বিকা মিন ইল্‌মিল্লা য়ান্‌ফা', অমিন ক্বাল্বিল্লা য়াখ্‌শ্বা', অমিন নাফ্‌ছিল্লা তাশ্ববা', অমিন দা'ৱাতিল্লা ইউস্তাজাবু লাহা।"

অৰ্থঃ হে আল্লাহ! মই তোমাৰ ওচৰত আশ্ৰয় বিচাৰোঁ এনেকুৱা জ্ঞানৰ পৰা, যিটো কোনো উপকাৰ নকৰে, আৰু এনেকুৱা অন্তৰৰ পৰা যিটো তোমাৰ ভয়ত কম্পিত নহয়, এনেকুৱা নফছৰ পৰা যিটো কেতিয়াও

তৃপ্ত নহয়, আৰু এনেকুৱা দুআৰ পৰা যিটো কবূল কৰা নহয়।

اللَّهمَّ اهْدِنِي وَسَدِّدْنِي.

"আল্লাহুম্মাহ্দিনী অছাদ্দিদনী।"

অৰ্থঃ হে আল্লাহ! মোক হিদায়ত দিয়া, আৰু মোক সঠিক পথত পৰিচালিত কৰা।

اللَّهمَّ إِنِّي أَعُوذُ بِكَ مِنْ زَوَالِ نِعْمَتِك، وَتَحَوُّلِ عَافِيَتِكَ، وَفَجْأَةِ نِقْمَتِكَ، وَجَمِيعِ سَخَطِكَ.

"আল্লাহুম্মা ইন্নি আউজুবিকা মিন ঝাৱালি নি'মাতিক, অতাহাওউলি আ-ফিয়াতিক, অফুজআতি নিকমাতিক, অজামীয়ি ছাখাতিক।"

অৰ্থঃ হে আল্লাহ! নিশ্চয় মই তোমাৰ ওচৰত তোমাৰ অনুগ্ৰহ অপসাৰণৰ পৰা, নিৰাপত্তাৰ পৰিবৰ্তনৰ পৰা, আকস্মিক কৰায়ত্বৰ পৰা আৰু যাৱতীয় অসন্তুষ্টিৰ পৰা আশ্ৰয় প্ৰাৰ্থনা কৰোঁ।

اللَّهمَّ إنِّي أعُوذُ بِكَ مِنْ شَرِّ مَا عَمِلْتُ ومنْ شَرِّ مَا لَمْ أعْمَلْ.

"আল্লাহুম্মা ইন্নী আ'উজু বিকা মিন শ্বাৰ্ৰি মা আমিল্তু, অমিন শ্বাৰ্ৰি মা লাম আ'মাল।"

অৰ্থঃ হে আল্লাহ! মই তোমাৰ আশ্ৰয় বিচাৰোঁ মই যি আমল কৰিছোঁ তাৰ অনিষ্টৰ পৰা, আৰু যি মই কৰা নাই তাৰ অনিষ্টৰ পৰা।

لَا إِلهَ إِلَاّ اللَّهُ، الْعَظِيمُ الْحَلِيمُ، لَا إِلهَ إِلَاّ اللَّهُ، رَبُّ الْعَرْشِ الْعَظِيمِ، لَا إِلهَ إِلَاّ اللَّهُ، رَبُّ السَّموَاتِ، وَرَبُّ الأَرْضِ، وَرَبُّ الْعَرْشِ الْكَرِيمِ.

"লা ইলাহা ইল্লাল্লাহু ৰাব্বুল আৰশ্বিল আজীম। লা ইলাহা ইল্লাল্লাহু ৰাব্বুছ ছামাৱাতি অৰাব্বুল আৰজি অৰাব্বুল আৰশ্বিল কাৰীম।"

অৰ্থঃ আল্লাহৰ বাহিৰে আন কোনো সত্য উপাস্য নাই, তেওঁ মহান, পৰম সহনশীল। আল্লাহৰ বাহিৰে আন কোনো সত্য উপাস্য নাই, তেওঁ মহা আৰচৰ অধিপতি। আল্লাহৰ বাহিৰে আন কোনো সত্য উপাস্য নাই, তেওঁ আকাশমণ্ডলৰ প্ৰতিপালক আৰু তেওঁ পৃথিৱীৰ প্ৰতিপালক, লগতে সন্মানীয় মহা সিংহাসনৰ প্ৰতিপালক।

اللَّهمَّ رَحْمَتَكَ أَرْجُو فَلَا تَكِلْنِي إِلَى نَفْسِي طَرْفَةَ عَيْنٍ، وَأَصْلِحْ لِي شَأْنِي كُلَّهُ لَا إِلَهَ إِلَّا أَنْتَ.

"আল্লাহুম্মা ৰাহ্মাতাকা আৰজু, ফালা তাকিল্নী ইলা নাফ্ছী তাৰ্ফাতা ‘আইন, ৱা আচলিহ্ লী শ্বা’নী কুল্লাহ, লা ইলাহা ইল্লা আন্তা।"

অৰ্থঃ হে আল্লাহ! মই কেৱল তোমাৰ কৰুণাৰ প্ৰত্যাশী, এতেকে তুমি মোক এক পলৰ বাবেও মোৰ দায়িত্বত এৰি নিদিবা। তুমি মোৰ সকলো বিষয় সংশোধন কৰি দিয়া; তোমাৰ বাহিৰে আন কোনো সত্য ইলাহ (উপাস্য) নাই।

اللَّهمَّ إِنِّي عَبْدُكَ، ابْنُ عَبْدِكَ، ابْنُ أَمَتِكَ، نَاصِيَتِى بِيَدِكَ، مَاضٍ فِيَّ حُكْمُكَ، عَدْلٌ فِيَّ قَضَاؤُكَ، أَسْأَلُكَ بِكُلِّ اسْمٍ هُوَ لَكَ سَمَّيْتَ بِهِ نَفْسَكَ، أَوْ عَلَّمْتَهُ أَحَدًا مِنْ خَلْقِكَ، أَوْ أَنْزَلْتَهُ في كِتَابِكَ، أَوِ اسْتَأْثَرْتَ بِهِ فِى عِلْمِ الْغَيْبِ عِنْدَكَ: أَنْ تَجْعَلَ الْقُرْآنَ رَبِيعَ قَلْبِي، وَنُورَ صَدْرِي، وَجِلَاءَ حُزْنِي، وَذَهَابَ هَمِّي.

"আল্লাহুম্মা ইন্নি আব্দুক, অবনু আব্দিক, অবনু আমাতিক, না-চিয়াতি বিয়াদিক, মা-জিন ফিয়্যা হুকমুক, আদলুন ফিয়্যা কাজা-উক, আছআলুকা বিকুল্লি ইছমিন হুৱা লাক, ছাম্মাইতা বিহি নাফছাক, আও আনঝালতাহু ফী কিতা-বিক, আও আল্লামতাহু আহাদাম মিন খালকিক, আৱিছ তা'ছাৰতা ফী ইল্মিল গাইবি ইনদাক, আন তাজআলাল কোৰআ-না ৰাবীআ কালবী, ওৱা নূৰা চাদৰী, অজিলাআ হুঝনী, অজাহাবা হাম্মী।"

অৰ্থঃ হে আল্লাহ! নিশ্চয় মই হৈছোঁ তোমাৰ দাস, তোমাৰ দাসৰ পুত্ৰ, আৰু তোমাৰ দাসীৰ পুত্ৰ। মোৰ কপাল তোমাৰ হাতত। তোমাৰ আদেশ মোৰ ওপৰত বলৱৎ আৰু তোমাৰ নিৰ্ণয় ন্যায়সঙ্গত। মই তোমাৰ ওচৰত প্ৰাৰ্থনা কৰোঁ, তোমাৰ প্ৰত্যেক সেই নামৰ দ্বাৰা যিবোৰ নাম তুমি নিজৰ বাবে চয়ন কৰিছা। অথবা যিবোৰ অৱতীৰ্ণ কৰিছা তোমাৰ পুথিত নাইবা তোমাৰ কোনো সৃষ্টিক শিক্ষা দিছা অথবা তুমি তোমাৰ ইল্মে গায়েবত ৰাখি থৈছা। (হে আল্লাহ!) তুমি মহান কোৰআনক মোৰ অন্তৰৰ বাবে প্ৰেৰণা বনাই দিয়া। মোৰ বুকুৰ নূৰ বনাই দিয়া, মোৰ দুশ্চিন্তা আৰু ক্লান্তি দূৰ কৰি দিয়া।

اللَّهمَّ مُصَرِّف الْقُلُوب صَرِّفْ قُلُوبنَا عَلَى طَاعَتك.

"আল্লাহুম্মা মুছাৰ্ৰিফাল কুলুব, ছাৰ্ৰিফ্ কুলূবানা 'আলা তা'আতিকা।"

অৰ্থঃ হে হৃদয়সমূহৰ পৰিবৰ্তনকাৰী আল্লাহ! আমাৰ হৃদয়সমূহক তোমাৰ আনুগত্যৰ দিশত পৰিবৰ্তন কৰি দিয়া।

يَا مُقَلِّبَ الْقُلُوبِ، ثَبِّتْ قَلْبِي عَلَى دِينِكَ.

"ইয়া মুকাল্লিবাল কুলূব, ছাব্বিত ক্বাল্‌বী 'আলা দ্বীনিক।"

অৰ্থঃ হে হৃদয়সমূহৰ পৰিবৰ্তনকাৰী (আল্লাহ)! তুমি মোৰ অন্তৰক তোমাৰ দ্বীনৰ ওপৰত অটল ৰাখা।

اللَّهمَّ إني أسألُكَ العَافِيَةَ في الدنيا والآخِرةِ.

"আল্লাহুম্মা ইন্নী আছআলুকাল 'আফিয়াতা ফিদ্দুনিয়া অল আখিৰাহ।"

অৰ্থঃ হে আল্লাহ! মই তোমাৰ ওচৰত ইহকাল আৰু পৰকাল উভয়ৰে শান্তি, নিৰাপত্তা আৰু সুস্থতা প্ৰাৰ্থনা কৰোঁ।

اللَّهمَّ أَحْسِنْ عَاقِبَتَنَا فِى الأُمُورِ كُلِّهَا، وَأَجِرْنَا مِنْ خِزْيِ الدُّنْيَا، وَعَذَابِ الآخِرَةِ.

"আল্লাহুম্মা আহ্‌ছিন্‌ 'আ-ক্বিবাতানা ফিল উমূৰি কুল্লিহা, ৱা আজিৰ্‌না মিন খিঝয়িদ্দুনিয়া, ৱা 'আজা-বিল আখিৰাহ।"

অৰ্থঃ হে আল্লাহ! সকলো ক্ষেত্ৰতে আমাৰ পৰিণাম শুভ কৰি দিয়া। লগতে আমাক দুনিয়াৰ অপমানৰ পৰা আৰু আখিৰাতৰ শাস্তিৰ পৰা ৰক্ষা কৰা।

رَبِّ أَعِنِّي وَلا تُعِنْ عَلَيَّ، وَانْصُرْنِي وَلا تَنْصُرْ عَلَيَّ، وَامْكُرْ لِي، وَلا تَمْكُرْ عَلَيَّ، وَاهْدِنِي، وَيَسِّرِ الْهُدَى إِلَيَّ، وَانْصُرْنِي عَلَى مَنْ بَغَى عَلَيَّ.

"ৰাব্বী আ'ইন্নী অলা তু'ইন 'আলাইয়্যা, অন্‌চুৰনী অলা তান্‌চুৰ 'আলাইয়্যা, অমকুৰ লী, অলা তামকুৰ 'আলাইয়্যা, অহ্‌দিনী, অয়াচ্ছিৰিল হুদা ইলাইয়্যা, অন্‌চুৰনী 'আলা মান বাগা 'আলাইয়্যা।"

অৰ্থঃ হে মোৰ প্ৰতিপালক! মোক সহায় কৰা, আৰু মোৰ বিৰুদ্ধে সহায় নকৰিবা। মোক জয়যুক্ত কৰিব সহায় কৰা, আৰু মোৰ বিৰুদ্ধে কাকো জয়ী হোৱাত সহায় নকৰিবা। মোৰ বাবে কৌশল অৱলম্বন কৰা, মোৰ বিৰুদ্ধে নকৰিবা। মোক সঠিক পথ দেখুৱা আৰু মোৰ বাবে সৎপথ সহজ কৰি দিয়া। যিয়ে মোৰ ওপৰত অন্যায় কৰিছে, তাৰ বিৰুদ্ধে মোক সহায় কৰা।

رَبِّ اجْعَلْنِي لَكَ شَكَّارًا، لَكَ ذَكَّارًا، لَكَ رَهَّابًا، لَكَ مِطْوَاعًا، إِلَيْكَ مُخْبِتًا، أَوَّاهًا مُنِيبًا.

"ৰাব্বীজ 'আল্‌নী লাকা শ্বাক্কাৰান, লাকা জাক্কাৰান, লাকা ৰাহ্‌হাবান, লাকা মিত্‌ৱা'আন, ইলাইকা মুখ্‌বিতান, আওৱাহান মুনীবা।"

অৰ্থঃ হে মোৰ প্ৰতিপালক! মোক তোমাৰ কৃতজ্ঞ বান্দা বনাই দিয়া, যাতে মই সদায় তোমাক স্মৰণ কৰোঁ, তোমাক ভয় কৰোঁ, তোমাৰ আদেশ মানি চলোঁ, তোমাৰ প্ৰতি আস্থাশীল বনাই দিয়া, তোমাৰ প্ৰতি প্ৰত্যাৱৰ্তনকাৰী।

رَبِّ تَقَبَّلْ تَوْبَتِي، وَاغْسِلْ حَوْبَتِي، وَأَجِبْ دَعْوَتِي، وَثَبِّتْ حُجَّتِي، وَاهْدِ قَلْبِي، وَسَدِّدْ لِسَانِي، وَاسْلُلْ سَخِيمَةَ قَلْبِي.

"ৰাব্বী তাক্বাব্বাল্ তাওবাতী, অগ্ছিল্ হাওবাতী, ৱা-আজিব্ দা'ৱাতী, অছাব্বিত হুজ্জাতী, অহ্দি ক্বাল্বী, অছাদ্দিদ লিছানী, অছলুল্ ছাখীমাতা ক্বাল্বী।"

অৰ্থঃ হে মোৰ প্ৰতিপালক! মোৰ তাওবা কবুল কৰা, মোৰ গুনাহসমূহ ধুই দিয়া, মোৰ দুআ কবুল কৰা, ঈমান আমলৰ প্ৰমাণৰ ক্ষেত্ৰত মোক ফিৰিস্তাসকলৰ প্ৰশ্নত অটল ৰাখিবা, মোৰ অন্তৰক সঠিক পথৰ ফালে পৰিচালিত কৰা, মোৰ জিভাক সদায় সঠিক পথৰ তাওফীক দিয়া, আৰু মোৰ অন্তৰক হিংসা-বিদ্বেষ আৰু যাৱতীয় দোষ-ত্ৰুটিৰ পৰা আঁতৰাই ৰাখিবা।

اللَّهمَّ إنِّي أعُوذُ بِكَ مِنْ شَرِّ سَمْعِي، وَمِنْ شَرِّ بَصَرِي، وَمِنْ شَرِّ لِسَانِي، وَمِنْ شَرِّ قَلْبِي، وَمِنْ شَرِّ مَنِيِّي.

আল্লাহুম্মা ইন্নী আ'উজু বিকা মিন শ্বাৰ্ৰি ছাম'য়ি, অমিন শ্বাৰ্ৰি বাচাৰী, অমিন শ্বাৰ্ৰি লিছানী, অমিন শ্বাৰ্ৰি কালবী, অমিন শ্বাৰ্ৰি মানিয়্যী।[1]

অৰ্থঃ হে আল্লাহ! মই তোমাৰ ওচৰত আশ্ৰয় প্ৰাৰ্থনা কৰোঁ, মোৰ শ্ৰৱণ শক্তিৰ অনিষ্টৰ পৰা, মোৰ দৃষ্টিশক্তিৰ অনিষ্টৰ পৰা, মোৰ জিভাৰ অনিষ্টৰ পৰা, মোৰ অন্তৰৰ অনিষ্টৰ পৰা, লগতে মোৰ বীৰ্য্যৰ অনিষ্টৰ পৰা।

اللَّهمَّ إنِّي أَعُوذُ بِكَ مِنَ الْبَرَصِ، وَالْجُنُونِ، وَالْجُذَامِ، وَمِنْ سَيِّئِ الأَسْقَامِ.

[1] মাজহাৰীয়ে কৈছেঃ অৰ্থাৎ বীৰ্য্যৰ প্ৰভাৱৰ অনিষ্টৰ পৰা, যাতে মই ব্যাভিচাৰত লিপ্ত নহওঁ, আৰু হাৰামৰ ফালে দৃষ্টিপাত নকৰোঁ। (কূতুল মুগতাজী আলা জা-মেয়িত তিৰমিজী। ২/৮৬০)

"আল্লাহুম্মা ইন্নী আ'উজু বিকা মিনাল বাৰাচি, অল জুনূনি, অল জুযা-মি,[1] অমিন ছাইয়িয়িল আছক্বাম।"
অৰ্থঃ হে আল্লাহ! মই তোমাৰ ওচৰত আশ্ৰয় প্ৰাৰ্থনা কৰোঁ শ্বেত ৰোগৰ পৰা, উন্মাদনাৰ পৰা, কুষ্ঠ ৰোগৰ পৰা আৰু সকলো ধৰণৰ দুৰাৰোগ্য ব্যাধিৰ পৰা।

اللَّهمَّ إِنِّي أَعُوذُ بِكَ مِنْ مُنْكَرَاتِ الْأَخْلَاقِ وَالْأَعْمَالِ وَالْأَهْوَاءِ.

"আল্লাহুম্মা ইন্নী আ'উজু বিকা মিম মুনকাৰাতিল আখলাক্ব, অল আ'মাল, অল আহৱা।"
অৰ্থ: হে আল্লাহ! মই তোমাৰ ওচৰত আশ্ৰয় প্ৰাৰ্থনা কৰোঁ নিন্দনীয় চৰিত্ৰৰ পৰা, বেয়া কৰ্ম আৰু প্ৰবৃত্তিৰ বেয়া কামনা-বাসনাৰ পৰা।

اللَّهمَّ إِنَّكَ عُفُوٌّ كَرِيمٌ تُحِبُّ الْعَفْوَ فَاعْفُ عَنِّي.

"আল্লাহুম্মা ইন্নাকা 'আফুওউন কাৰীম, তুহিব্বুল 'আফৱা ফা'ফু 'আন্নী।"
অৰ্থ: হে আল্লাহ! তুমি ক্ষমাশীল অত্যন্ত দয়ালু। তুমি ক্ষমা কৰি ভালপোৱা। গতিকে মোক ক্ষমা কৰা।

اللَّهمَّ إِنِّي أَسْأَلُكَ فِعْلَ الْخَيْرَاتِ، وَتَرْكَ الْمُنْكَرَات، وَحُبَّ الْمَسَاكِينِ، وَأَنْ تَغْفِرَ لِي وَتَرْحَمَنِي، وَإِذَا أَرَدْتَ فِتْنَةً فِي قَوْمٍ فَتَوَفَّنِي غَيْرَ مَفْتُونٍ، وَأَسْأَلُكَ حُبَّكَ، وَحُبَّ مَنْ يُحِبُّكَ، وَحُبَّ عَمَلٍ يُقَرِّبُنِي إِلَى حُبِّكَ.

"আল্লাহুম্মা ইন্নী আছআলুকা ফি'লাল খাইৰাত, অতাৰ্কাল মুন্‌কাৰাত, অহুব্বাল মাছাকীন, ৱা আন্তাগফিৰালী অতাৰ্হামনী, ৱা ইজা আৰাত্তা

[1] এইটো এটা পৰিচিত ভয়ংকৰ ৰোগ, যাৰ ফলত মাংস খহি পৰে আৰু প্ৰভাৱিত হয়। মহান আল্লাহে আমাক এই বেমাৰৰ পৰা হিফাজত কৰক। (ইবনে ৰাছলানৰ শ্বাৰহু ছুনান আবি দাউদ, ৭/৪১১)

ফিতনাতান ফী কাওমিন ফাতাওৱাফ্ফানী গাইৰা মাফতুন, ৱা আছআলুকা হুব্বাক, অহুব্বা মান্ য়ুহিব্বুক, অহুব্বা 'আমালিন য়ুকাৰ্ৰিবুনী ইলা হুব্বিক।"

অৰ্থ: হে আল্লাহ! মই তোমাৰ ওচৰত বিচাৰোঁ, তুমি মোক সৎকৰ্ম কৰাৰ তাওফীক দিয়া, অসৎকৰ্মৰ পৰা বিৰত ৰখা, লগতে দৰিদ্ৰক মুহাব্বত কৰাৰ তাওফীক দিয়া। লগতে তুমি মোক ক্ষমা কৰা আৰু মোৰ প্ৰতি ৰহম কৰা। যদি তুমি কোনো জাতিক ফিতনাত পতিত কৰিব বিচৰা, তেন্তে মোক ফিতনাত পতিত নকৰাকৈয়ে মৃত্যু প্ৰদান কৰিবা। মই তোমাৰ মুহাব্বত প্ৰাৰ্থনা কৰোঁ, আৰু সেই ব্যক্তিৰ মুহাব্বত বিচাৰোঁ, যিয়ে তোমাক মুহাব্বত কৰে, লগতে এনেকুৱা আমলৰ তাওফীক বিচাৰোঁ, যাৰ ফলত তোমাৰ মুহাব্বতৰ নৈকট্য লাভ হয়।

اللَّهمَّ إِنِّي أَسْأَلُكَ مِنَ الْخَيْرِ كُلِّهِ: عَاجِلِهِ وَآجِلِهِ، مَا عَلِمْتُ مِنْهُ وَمَا لَمْ أَعْلَمْ، وَأَعُوذُ بِكَ مِنَ الشَّرِّ كُلِّهِ، عَاجِلِهِ وَآجِلِهِ، مَا عَلِمْتُ مِنْهُ وَمَا لَمْ أَعْلَمْ.

"আল্লাহুম্মা ইন্নী আছআলুকা মিনাল খাইৰি কুল্লিহ, 'আ-জিলিহী ৱা আ-জিলিহ, মা আলিম্তু মিনহু অমা লাম আ'লাম, ৱা আউজু বিকা মিনাশ্ব শ্বাৰ্ৰি কুল্লিহ, 'আ-জিলিহী ৱা আ-জিলিহ, মা আলিম্তু মিনহু অমা লাম আ'লাম।"

অৰ্থঃ হে আল্লাহ! মই তোমাৰ ওচৰত সকলো ধৰণৰ কল্যাণ প্ৰাৰ্থনা কৰোঁ — ইহকাল আৰু পৰকালৰ, যিবোৰ মই জানো আৰু যিবোৰ মই নাজানো। লগতে

প্ৰত্যেক অকল্যাণৰ পৰা মই তোমাৰ আশ্ৰয় বিচাৰোঁ— ইহকালৰ আৰু পৰকালৰ, যিবোৰ মই জানো আৰু যিবোৰ মই নাজানো।

اللَّهمَّ إِنِّي أَسْأَلُكَ مِنْ خَيْرِ مَا سَأَلَكَ عَبْدُكَ وَنَبِيُّكَ، وَأَعُوذُ بِكَ مِنْ شَرِّ مَا عَاذَ بِهِ عَبْدُكَ وَنَبِيُّكَ.

"আল্লাহুম্মা ইন্নী আছআলুকা মিন খাইৰি মা ছাআলাকা 'আব্দুকা অনাবিয়্যুক, ৱা আউজু বিকা মিন শ্বাৰ্ৰি মা 'আ-জা বিহি 'আব্দুকা অনাবিয়্যুক।"

অৰ্থঃ হে আল্লাহ! মই তোমাৰ ওচৰত সেই কল্যাণ কামনা কৰোঁ যিটো তোমাৰ প্ৰিয় বান্দা তথা নবীয়ে বিচাৰিছিল, লগতে মই তোমাৰ ওচৰত সেই বস্তুৰ পৰা আশ্ৰয় প্ৰাৰ্থনা কৰোঁ, যিটোৰ পৰা তোমাৰ বান্দা তথা নবীয়ে আশ্ৰয় বিচাৰিছিল।

اللَّهمَّ إِنِّي أَسْأَلُكَ اَلْجَنَّةَ، وَمَا قَرَّبَ إِلَيْهَا مِنْ قَوْلٍ أَوْ عَمَلٍ، وَأَعُوذُ بِكَ مِنَ النَّارِ، وَمَا قَرَّبَ مِنْهَا مِنْ قَوْلٍ أَوْ عَمَلٍ، وَأَسْأَلُكَ أَنْ تَجْعَلَ كُلَّ قَضَاءٍ قَضَيْتَهُ لِي خَيْرًا.

"আল্লাহুম্মা ইন্নী আছআলুকাল-জান্নাহ, অমা কাৰ্ৰাবা ইলাইহা মিন কাওলিন আও 'আমাল, ৱা আউজু বিকা মিনান্-নাৰ, অমা কাৰ্ৰাবা মিনহা মিন কাওলিন আও 'আমাল, ৱা আছআলুকা আন তাজ'আলা কুল্লা ক্বা'জাঈন ক্বাজাইতাহু লী খাইৰা।"

অৰ্থঃ হে আল্লাহ! মই তোমাৰ ওচৰত জান্নাত প্ৰাৰ্থনা কৰোঁ, লগতে তুমি মোক সেইবোৰ কথা বা কৰ্মৰ তাওফীক দিয়া যিবোৰে মোক ইয়াৰ নিকটৱৰ্তী কৰি দিব। এইদৰে মই জাহান্নামৰ পৰা তোমাৰ ওচৰত

আশ্ৰয় প্ৰাৰ্থনা কৰোঁ, লগতে সেইবোৰ কথা বা কৰ্মৰ পৰাও তোমাৰ আশ্ৰয় প্ৰাৰ্থনা কৰোঁ, যিবোৰে ইয়াৰ নিকটৱৰ্তী কৰি দিয়ে। এইদৰে মই তোমাৰ ওচৰত প্ৰাৰ্থনা কৰোঁ যে, তুমি মোৰ বাবে যিবোৰ ফয়চালা কৰিছা, সেই সকলোবোৰ যাতে কল্যাণ কঢ়িয়াই আনে।

اللَّهمَّ احْفَظنِي بالإِسْلَامِ قائِماً، واحْفَظْنِي بالإِسْلَامِ قاعِداً، واحْفَظنِي بالإِسْلَامِ راقِداً، ولا تُشْمِتْ بِي عَدُوّاً ولا حاسِداً.

"আল্লাহুম্মাহ্ফাজনী বিল্-ইছ্লামে ক্বা-ইমান, অহ্ফাজনী বিল্-ইছ্লামে ক্বা-ই'দান, অহ্ফাজনী বিল্-ইছ্লামে ৰা-ক্বিদান, অলা তুশ্বমিত্ বী' আদুউৱান অলা হা-ছিদা।"

অৰ্থঃ হে আল্লাহ! তুমি মোক ইছলামৰ মাধ্যমত থিয় হৈ থকা অৱস্থাত ৰক্ষা কৰা, ইছলামৰ মাধ্যমত বহি থকা অৱস্থাত ৰক্ষা কৰা, ইছলামৰ মাধ্যমত শুই থকা অৱস্থাত ৰক্ষা কৰা। লগতে তুমি মোৰ বিৰুদ্ধে কোনো হিংসুক শত্ৰুৰ কথা নুশুনিবা।

اللَّهمَّ إِنِّي أسْأَلُكَ مِنْ كُلِّ خَيْر خزائِنُهُ بِيَدِكَ، وأعُوذُ بِكَ مِنْ كُلِّ شَرَ خَزَائِنُهُ بِيَدِكَ.

"আল্লাহুম্মা ইন্নী আছআলুকা মিন কুল্লি খাইৰিন খাঝায়িনুহু বিয়াদিক, ৱা আউজু বিকা মিন কুল্লি শ্বাৰ্ৰিন খাজায়িনুহু বিয়াদিক।"

অৰ্থঃ হে আল্লাহ! মই তোমাৰ ওচৰত প্ৰত্যেক সেই ভাল বস্তু প্ৰাৰ্থনা কৰোঁ, যিটোৰ ভাণ্ডাৰ তোমাৰ হাতত আছে। লগতে মই প্ৰত্যেক সেই বস্তুৰ অনিষ্টৰ পৰা তোমাৰ

আশ্ৰয় প্ৰাৰ্থনা কৰোঁ, যিটোৰ ভঁৰাল তোমাৰ হাতত আছে।

اللَّهمَّ اقْسِمْ لَنَا مِنْ خَشْيَتِكَ مَا يَحُولُ بَيْنَنَا وَبَيْنَ مَعَاصِيكَ، وَمِنْ طَاعَتِكَ مَا تُبَلِّغُنَا بِهِ جَنَّتَكَ، وَمِنَ الْيَقِينِ مَا تُهَوِّنُ عَلَيْنَا مَصَائِبَ الدُّنْيَا.

"আল্লাহুম্মাকছিম লানা মিন খাশ্বয়াতিকা মা য়াহূলু বাইনানা অবাইনা মা'আছীক, অমিন ত্বা'আতিকা মা তুবাল্লিগুনা বিহি জান্নাতাক, অমিনাল য়াক্বীনি মা তুহাওৱিনু 'আলাইনা মাচাইবাদ্দুনিয়া।"

অৰ্থঃ হে আল্লাহ! তুমি তোমাৰ ভয়-ভীতি আমাৰ মাজত এনেকৈ বণ্টন কৰি দিয়া যাতে আমাৰ আৰু তোমাৰ অবাধ্যতাৰ মাজত এইটো বাধা হৈ থিয় দিয়ে। লগতে আমাৰ মাজত তোমাৰ আনুগত্য ইমান পৰিমাণ প্ৰদান কৰা যাতে ই আমাক তোমাৰ জান্নাতত পৌঁচাই দিয়ে। লগতে তুমি আমাৰ মাজত ইমানখিনি য়াক্বীন দান কৰা, যাতে পৃথিৱীৰ সকলো বিপদ-আপদ আমাৰ বাবে সহজসাধ্য হৈ পৰে।

اللَّهمَّ مَتِّعْنَا بأسْمَاعِنا، وَأَبْصَارِنَا، وقُوَّتِنَا مَا أحْيَيْتَنَا، وَاجْعَلْهُ الوارِثَ مِنَّا، وَاجْعَلْ ثَأرَنَا عَلَى مَنْ ظَلَمَنَا، وَانْصُرْنَا عَلَى مَنْ عَادَانَا، وَلَا تَجْعَلْ مُصيبَتَنَا فِي دِينِنَا، وَلَا تَجْعَلِ الدُّنْيَا أَكْبَرَ هَمِّنَا، وَلَا مَبْلَغَ عِلْمِنَا، وَلَا تُسَلِّطْ عَلَيْنَا مَنْ لَا يَرْحَمُنَا.

"আল্লাহুম্মা মত্তি'না বি'আস্মা-'ঈনা, ৱা আ'বচা'ৰিনা, অকুউৱাতিনা মা আহয়াইতানা, অজআলহুল ৱা-ৰিছা মিন্না[1], অজআল ছা'ৰানা আলা মান-জ্বালামানা,

[1] অৰ্থাৎ আমাৰ অন্যান্য অংগ-প্ৰত্যাংগ দুৰ্বল হোৱাৰ পিছতো মৃত্যু পৰ্যন্ত আমাৰ শ্ৰৱণশক্তি, দৃষ্টিশক্তি অটুট ৰাখিবা। (আল-মাফাতিহ ফী শ্বাৰহিল মাচাবীহ। ৩/২৪৮)

অনচুৰনা আলা মান-আ’দানা, অলা তাজআল মুছীবাতানা ফী দ্বীনিনা, অলা তাজআলিদ-দুনিয়া আক্বৰাৰা হাম্মিনা, অলা মাবলাগা ই’ল্মিনা, অলা তুছাল্লিত আলাইনা মান-লা য়াৰহামুনা।"

অৰ্থঃ হে আল্লাহ! তুমি আমাক যিমান দিন জীৱিত ৰাখিবা, সিমান দিনলৈকে আমাক আমাৰ শ্ৰৱণশক্তি, দৃষ্টিশক্তি, লগতে আমাৰ শক্তি-সামৰ্থৰ দ্বাৰা উপকৃত হোৱাৰ তাওফীক দান কৰা। আনকি এইবোৰক আমাৰ উত্তৰাধিকাৰী সম্পদ বনাই দিয়া। যিয়ে আমাৰ প্ৰতি অন্যায় কৰিছে, তাৰ প্ৰতি আমাৰ প্ৰতিশোধ সুনিৰ্ধাৰিত কৰি দিয়া। যিয়ে আমাৰ প্ৰতি শত্ৰুতা পোষণ কৰে, তাৰ বিৰুদ্ধে আমাক সহায় কৰা। ধৰ্ম পালনত তুমি আমাক বিপদাক্ৰান্ত নকৰিবা। দুনিয়া অৰ্জনক আমাৰ বাবে মূল উদ্দেশ্য নকৰিবা আৰু জ্ঞানৰ শেষ আহিলাও নবনাবা। এইদৰে আমাৰ ওপৰত এনেকুৱা ব্যক্তিকো আধিপত্য নিদিবা, যিয়ে দয়া নকৰে।

اللَّهمَّ إني أَعوذ بك من الجُبْنِ، وأَعُوذُ بك من البُخْلِ، وأعوذُ بك أنْ أُرَدَّ إِلى أرذَلِ العُمر، وأعوذُ بك من فِتْنَةِ الدّنيا وعَذَابِ القَبْرِ.

"আল্লাহুম্মা ইন্নী আ‘উজু বিকা মিনা'ল-জুব্নি, ৱা আ‘উজু বিকা মিনা'ল-বুখলি, ৱা আ‘উজু বিকা আন উৰাদ্দা ইলা আৰজালিল উমুৰ, ৱা আ‘উজু বিকা মিন ফিতনাতিদ্-দুনিয়া ৱা আ’জা-বিল ক্বাব্ৰ।"

অৰ্থঃ হে আল্লাহ! মই কাপুৰুষত্বৰ পৰা, আৰু কৃপণতাৰ পৰা তোমাৰ আশ্ৰয় প্ৰাৰ্থনা কৰোঁ। লগতে মই বাৰ্ধক্য অৱস্থাৰ অসহায়ত্বৰ পৰা তোমাৰ আশ্ৰয় বিচাৰোঁ, এইদৰে পৃথিৱীৰ ফিতনা আৰু কবৰৰ শাস্তিৰ পৰা তোমাৰ আশ্ৰয় বিচাৰোঁ।

اللَّهمَّ اغْفِرْ لِي خَطِيئَتِي، وَجَهْلِي، وَإِسْرَافِي فِي أَمْرِي، وَمَا أَنْتَ أَعْلَمُ بِهِ مِنِّي، اللَّهمَّ اِغْفِرْ لِي جِدِّي، وَهَزْلِي، وَخَطَئِي، وَعَمْدِي، وَكُلُّ ذَلِكَ عِنْدِي.

"আল্লাহুম্মাগ্ফিৰলী খাত্বীআতি, অজাহলী, ৱা ইছ্ৰাফী ফী আম্ৰী, অমা আন্তা আ'লামু বিহী মিন্নী, আল্লাহুম্মাগ্ফিৰলী জিদ্দী, অহাঝলী, অখাতায়ি, ৱা আম্দী, অকুল্লু জা-লিকা ঈন্দী।"

অৰ্থঃ হে আল্লাহ! মোৰ পাপসমূহ, মোৰ অজ্ঞতা, আৰু প্ৰতিটো ক্ষেত্ৰতে হোৱা মোৰ সীমালংঘন ক্ষমা কৰি দিয়া; যিবোৰৰ বিষয়ে মোতকৈ তুমিহে অধিক জ্ঞাত। হে আল্লাহ! গুৰুত্ব সহকাৰে কৰা, আৰু হাঁহি ধেমালি লগতে জানি বুজি কৰা মোৰ সকলো গুনাহ তুমি ক্ষমা কৰি দিয়া, এই সকলোবোৰ মই নিজৰ ফালৰ পৰা কৰিছোঁ, (তুমি মোক ক্ষমা কৰি দিয়া।)

اللَّهمَّ اغْفِرْ لِي، وَارْحَمْنِي، وَاهْدِنِي، وَعَافِنِي، وَارْزُقْنِي.

"আল্লাহুম্মাগ্ফিৰ লী, অৰহাম্নী, অহ্দিনী, ৱা'আ-ফিনী, অৰ্ঝুক্নী।"

অৰ্থঃ হে আল্লাহ! মোক ক্ষমা কৰি দিয়া, মোৰ প্ৰতি দয়া কৰা, মোক সঠিক পথ দেখুৱা, মোক আৰোগ্য দান কৰা, আৰু মোক জীৱিকা দান কৰা।

اللَّهمَّ إِنِّي ظَلَمْتُ نَفْسِي ظُلْمًا كَثِيرًا، وَلَا يَغْفِرُ الذُّنُوبَ إِلَّا أَنْتَ، فَاغْفِرْ لِي مَغْفِرَةً مِنْ عِنْدِكَ، وَارْحَمْنِي، إِنَّكَ أَنْتَ الْغَفُورُ الرَّحِيمُ.

"আল্লা-হুম্মা ইন্নি জালামতু নাফছি জুলমান কাছীৰা, অলা য়াগফিৰুজ জুনূবা ইল্লা আন্তা। ফাগফিৰলী মাগফিৰাতাম মিন ইন্দিক, অৰহাম্নী ইন্নাকা আন্তাল গাফুৰুৰ ৰাহীম।

অৰ্থঃ "হে আল্লাহ! মই মোৰ নিজৰ ওপৰত বহুত অন্যায় কৰিছোঁ, আৰু তুমি বিনে কোনেও গুনাহসমূহ ক্ষমা কৰিব নোৱাৰে। এতেকে তুমি তোমাৰ ক্ষমাকাৰী গুণেৰে মোক মাৰ্জনা কৰা আৰু মোৰ প্ৰতি ৰহম কৰা। নিশ্চয় তুমি মাৰ্জনাকাৰী অতি দয়ালু"।

اللَّهمَّ لَكَ أَسْلَمْتُ، وَبِكَ آمَنْتُ، وَعَلَيْكَ تَوَكَّلْتُ، وَإِلَيْكَ أَنَبْتُ، وَبِكَ خَاصَمْتُ.

"আল্লাহুম্মা লাকা আছলাম্তু, অবিকা আ-মান্তু, ৱা'আলাইকা তাৱাক্কালতু, ৱা ইলাইকা আনাব্তু, অবিকা খা-ছাম্তু।"

অৰ্থঃ হে আল্লাহ! মই তোমাৰ ওচৰতেই আত্মসমৰ্পণ কৰিছোঁ, মই তোমাৰ ওপৰতেই ঈমান আনিছোঁ, আৰু তোমাৰ ওপৰতেই ভৰসা কৰিছোঁ, আৰু তোমাৰ প্ৰতিয়ে ওভতিছোঁ, আৰু তোমাৰ বাবেই প্ৰতিপক্ষৰ সৈতে বিবাদ কৰিছোঁ।

اللَّهمَّ إني أعُوذُ بعزَّتِكَ؛ لا إلهَ إلاّ أَنْتَ أنْ تُضلَّني، أَنْتَ الحَيُّ الَّذِي لَا تَمُوتُ، وَالجِنُّ والإنْسُ يَمُوتُونَ.

"আল্লাহুম্মা ইন্নি আউজু বিইঝ্‌ঝাতিক, লা ইলা-হা ইল্লা আন্তা আন তুজিল্লানী, আন্তাল হাইয়্যুল লাজী লা য়ামূত, অলজিন্নু অল ইনছু য়ামূতূন।"

অৰ্থঃ হে আল্লাহ! মই তোমাৰ ইজ্জতৰ আশ্ৰয় প্ৰাৰ্থনা কৰোঁ, যাতে মই পথভ্ৰষ্ট নহওঁ। তোমাৰ বাহিৰে আন কোনো সত্য উপাস্য নাই। তুমিয়ে চিৰঞ্জীৱ, তোমাৰ কোনো মৃত্যু নাই। জিন আৰু মানৱ সকলোৱে মৃত্যুবৰণ কৰিব।

اللَّهمَّ إنِّي أسْأَلُكَ مُوجِبَاتِ رَحْمَتِكَ، وَعَزَائِمَ مَغْفِرَتِكَ، والسَّلامَةَ مِنْ كُلِّ إثْمٍ، والغَنِيمَةَ مِنْ كُلِّ بِرٍّ، والفَوْزَ بالجَنَّةِ، والنَّجَاةَ مِنَ النَّارِ.

"আল্লাহুম্মা ইন্নী আছ্‌আলুকা মূ-জিবাতি ৰাহ্‌মাতিক[1], ৱা আঝা-ইমা মাগ্‌ফিৰাতিক[2], অচ্ছালামাতা মিন্ কুল্লি ইছ্‌মিন্, অল গানীমাতা মিন্ কুল্লি বিৰ্ৰিন, অল ফাওঝা বিল্ জান্নাহ, অন্ নাজাতা মিনান্ না-ৰ।"

অৰ্থঃ হে আল্লাহ! মই তোমাৰ ওচৰত সেইবোৰ বস্তু প্ৰাৰ্থনা কৰোঁ যিবোৰৰ দ্বাৰা তোমাৰ ৰহমত লাভ কৰাটো

---

[1] অৰ্থাৎ এনেকুৱা কথা আৰু কৰ্ম, তথা শিষ্টাচাৰ অৱলম্বনৰ তাওফীক দিয়া, যাৰ ফলত তোমাৰ ৰহমত লাভ হয়। (আল-মাফাতীহ ফী শ্বাৰহিল মাচাবীহঃ ২/৩০৪)

[2] আৰবী (العزائم) শব্দটো عزيمةশব্দৰ বহুবচন। এইটো শব্দই পূৰ্ণ সিদ্ধান্ত তথা দৃঢ় সংকল্প লোৱা অৰ্থ প্ৰকাশ কৰে। অৰ্থাৎ অন্তৰেৰে দৃঢ় সংকল্প লোৱা আৰু সেইটোক আমলত পৰিণত কৰা। ইয়াৰ দ্বাৰা বুজোৱা হৈছে যে, মই তোমাৰ ওচৰত এনেকুৱা গুণ প্ৰাৰ্থনা কৰোঁ, যিটো অৱলম্বন কৰিলে তোমাৰ মাগফিৰাত লাভৰ কাৰণ হ'ব। (আল-মাফাতীহ ফী শ্বাৰহিল মাচাবীহঃ ২/৩০৪)

অনিবাৰ্য্য হৈ পৰে। তোমাৰ মাগফিৰাতমূলক সিদ্ধান্ত প্ৰাৰ্থনা কৰোঁ, প্ৰতিটো গুনাহৰ পৰা সুৰক্ষা বিচাৰোঁ, প্ৰতিটো নেক কৰ্মৰ তাওফীক কামনা কৰোঁ, জান্নাত অৰ্জনৰ সফলতা আৰু জাহান্নামৰ পৰা মুক্তি বিচাৰোঁ।

اللَّهمَّ اغْفِرْ لِي ذَنْبِي، وَوَسِّعْ لِي فِي دَارِي، وَبَارِكْ لِي فِي رِزْقِي.

"আল্লাহুম্মাগফিৰ লী জাম্বী, অৱাচ্ছি লী ফী দাৰী, অবাৰিক লী ফী ৰিঝকী।"

অৰ্থঃ হে আল্লাহ! তুমি মোৰ গুণাহসমূহ ক্ষমা কৰি দিয়া, মোৰ ঘৰখনত প্ৰশস্ততা দান কৰা, আৰু মোৰ জীৱিকাত বৰকত দান কৰা।

اللَّهمَّ إِنِّي أسْأَلُكَ مِنْ فَضْلِكَ وَرَحْمَتِكَ، فإِنَّهُ لا يَمْلِكُها إلاّ أنْتَ.

"আল্লাহুম্মা ইন্নী আছআলুকা মিন ফাজলিকা অৰাহমাতিক, ফা ইন্নাহু লা য়ামলিকুহা ইল্লা আন্তা।"

অৰ্থঃ হে আল্লাহ! মই তোমাৰ ওচৰত তোমাৰ অনুগ্ৰহ আৰু দয়া প্ৰাৰ্থনা কৰোঁ, কাৰণ একমাত্ৰ তুমিয়ে ইয়াৰ গৰাকী।

اللَّهمَّ إِنِّي أَعُوذُ بِكَ مِنْ التَّرَدِّي، وَالْهَدْمِ، وَالْغَرَقِ، وَالْحَرقِ، وَأَعُوذُ بِكَ أَنْ يَتَخَبَّطَنِي الشَّيْطَانُ عِنْدَ الْمَوْتِ، وَأَعُوذُ بِكَ أَنْ أَمُوتَ فِي سَبِيلِكَ مُدْبِرًا، وَأَعُوذُ بِكَ أَنْ أَمُوتَ لَدِيغًا.

"আল্লাহুম্মা ইন্নী আ'উজু বিকা মিনাত্-তাৰাদ্দী, অল-হাদমি, অল-গাৰাকি, অল-হাৰাকি, ৱা আ'উজু বিকা আঁয়্যাতাখাব্বাতানীয়াশ্ব শ্বাইত্বানু 'ইন্দাল মাওত, ৱা

আ'উজু বিকা আন্ আমূতা ফী ছাবীলিকা মুদবিৰান, ৱা আ'উজু বিকা আন্ আমূতা লাদীগা।"

অৰ্থঃ হে আল্লাহ! মই তোমাৰ ওচৰত আশ্ৰয় প্ৰাৰ্থনা কৰোঁ, ভূমিস্খলিত হৈ মৃত্যুৰ পৰা, কোনো বস্তুৰ তলত পৰি মৰাৰ পৰা, পানীত ডুবি মৰাৰ পৰা, জুইত জ্বলি মৰাৰ পৰা। লগতে মই তোমাৰ আশ্ৰয় বিচাৰোঁ মৃত্যুৰ সময়ত চয়ত্বানৰ প্ৰভাৱৰ পৰা। লগতে মই তোমাৰ আশ্ৰয় বিচাৰোঁ জিহাদৰ পৰা পলায়নৰত অৱস্থাত হোৱা মৃত্যুৰ পৰা। এইদৰে মই তোমাৰ আশ্ৰয় বিচাৰোঁ, যাতে বিষাক্ত প্ৰাণীৰ দংশনত মই মৃত্যুবৰণ নকৰোঁ।

اللَّهمَّ إني أَعوذ بك من الجُوع، فإنه بِئْسَ الضَّجيعُ، وأعوذ بك من الخِيانة، فإنها بِئْسَتِ البِطانةُ.

"আল্লাহুম্মা ইন্নী আ'উজু বিকা মিনাল জু'ঈ, ফা ইন্নাহু বি'ছাছ জাযীয়ু, ৱা আ'উজু বিকা মিনাল খিয়ানাহ, ফা ইন্নাহা বি'ছাতিল বিতা-নাহ।"

অৰ্থঃ হে আল্লাহ! মই তোমাৰ ওচৰত দুৰ্ভিক্ষ তথা ভোকৰ তাড়নাৰ পৰা আশ্ৰয় বিচাৰোঁ, কাৰণ এইটো হৈছে অত্যন্ত নিকৃষ্ট শয্যাসংগী। লগতে মই তোমাৰ আশ্ৰয় বিচাৰোঁ বিশ্বাসঘাতকতাৰ পৰা, কাৰণ ই হৈছে নিকৃষ্ট সহচৰ।

اللَّهمَّ إني أعُوذُ بِكَ مِنَ العَجْزِ، والْكَسَلِ، والجُبْنِ، والْبُخْلِ، والْهَرَمِ، والقَسْوَةِ، والغَفْلَةِ، والعَيْلَةِ، والذِلَّةِ، والْمَسْكَنَةِ، وأعُوذُ بِكَ مِنَ الفَقْرِ، وَالكُفْرِ، والفُسُوقِ، والشِّقَاقَ، والنِّفَاقِ، والسُّمْعَةِ، والرِّياءِ، وأعُوذُ بِكَ مِنَ الصَّمَمِ، والبَكَمِ، والْجُنُونِ، وَالْجُذَامِ، وَالْبَرَصِ، وَسَيِّئِ الأَسْقَامِ.

"আল্লাহুম্মা ইন্নী আ'উজু বিকা মিনাল আজঝি, অল কাছালি, অল জুবনি, অল বুখলি, অল হাৰামি, অল কাছ্ৱাতি, অল গাফলাতি, অল আইলাতি[1], অজ্-জিল্লাতি, অল মাস্কানাতি। ৱা আ'উজু বিকা মিনাল ফাক্ৰ, অল কুফ্ৰ, অল ফুছূক, অশ্ব-শ্বিকাক, অন-নিফাক, অছ-ছুম'আহ, অৰ্-ৰিয়া', ৱা আ'উজু বিকা মিনাচ-চামাম, অল বাকাম, অল জুনূন, অল জুযাম, অল বাৰাচ, অছাইয়্যিইল আছক্বাম।"

অৰ্থঃ হে আল্লাহ! মই অক্ষমতাৰ পৰা, অলসতাৰ পৰা, কাপুৰুষতাৰ পৰা, কৃপণতাৰ পৰা, বাৰ্ধক্যৰ পৰা, কঠোৰতাৰ পৰা, অমনোযোগিতাৰ পৰা, দীনতাৰ পৰা, অপমানৰ পৰা, আৰু অভাৱগ্ৰস্ত আদিৰ পৰা তোমাৰ ওচৰত আশ্ৰয় প্ৰাৰ্থনা কৰোঁ। লগতে মই দৰিদ্ৰতাৰ পৰা, কুফৰৰ পৰা, পাপকৰ্মৰ পৰা, বিচ্ছিন্নতাৰ পৰা, নিফাকৰ পৰা, খ্যাতিপ্ৰিয়তাৰ পৰা, দম্ভ আদিৰ পৰা তোমাৰ আশ্ৰয় প্ৰাৰ্থনা কৰোঁ। এইদৰে মই তোমাৰ আৰু আশ্ৰয় বিচাৰোঁ বধিৰতাৰ পৰা, মূক বধিৰ হোৱাৰ পৰা, উন্মাদনাৰ পৰা, কুষ্ঠ ৰোগৰ পৰা, শ্বেত ৰোগৰ পৰা আৰু সকলো বেয়া ৰোগৰ পৰা।

اللَّهمَّ إِنِّى أَعُوذُ بِكَ مِنَ الْفَقْرِ، وَالْقِلَّةِ، وَالذِّلَّةِ، وَأَعُوذُ بِكَ مِنْ أَنْ أَظْلِمَ أَوْ أُظْلَمَ.

---

[1] العيلة ঃ শব্দৰ অৰ্থ হৈছে, দীনতা বা অভাৱ-অনাটন অৱস্থা। (আল-মু'লিম বিফাৱাইদি মুছলিমঃ ১/২৭৯)

"আল্লাহুম্মা ইন্নী আ'উজু বিকা মিনাল ফাক্র, অল কিল্লাতি, অজ্-জিল্লাতি, ৱা আ'উজু বিকা মিন্ আন্ আজলিমা আও উজলাম।"

অৰ্থঃ হে আল্লাহ! মই দৰিদ্ৰতাৰ পৰা, স্বল্পতাৰ পৰা আৰু অপমানৰ পৰা তোমাৰ আশ্ৰয় বিচাৰোঁ। লগতে মই ইয়াৰ পৰাও তোমাৰ আশ্ৰয় বিচাৰোঁ যে, যাতে মই আনৰ প্ৰতি অন্যায় নকৰোঁ অথবা নিজেও যেন অন্যায়ৰ চিকাৰ নহওঁ।

اللَّهمَّ إنِّي أعُوذُ بِكَ مِنْ جارِ السوءِ في دَارِ المُقامَةِ؛ فإنَّ جارَ البادِيَةِ يَتَحَوَّلُ.

"আল্লাহুম্মা ইন্নী আ'উজু বিকা মিন জা-ৰিছ-ছু' ফী দাৰিল মুক্বামাহ; ফা ইন্না জা-ৰাল বা-দিয়াতি য়াতাহাওৱাল।"

অৰ্থঃ হে আল্লাহ! মই তোমাৰ আশ্ৰয় বিচাৰোঁ স্থায়ী বাসস্থানৰ বেয়া প্ৰতিবেশীৰ পৰা, কাৰণ মৰু অঞ্চলৰ প্ৰতিৱেশী সঘনাই হয়।

اللَّهمَّ إِنِّي أَعُوذُ بِكَ مِنْ قَلْبٍ لَا يَخْشَعُ، وَمن نَفْسٍ لَا تَشْبَعُ، وَمن دُعَاءٍ لَا يُسْمَعُ، وَمن عِلْمٍ لَا يَنْفَعُ، اللَّهمَّ إِنِّي أَعُوذُ بِكَ مِنْ هَؤُلَاءِ الأَرْبَعِ.

"আল্লাহুম্মা ইন্নী আ'উজু বিকা মিন ক্বালবিল্লা য়াখ্শ্বা', অমিন নাফ্ছিল্লা তাশ্ববা', অমিন দুআয়িন লা য়ুছমা' অমিন ইল্মিল্লা য়ান্ফা', আল্লাহুম্মা ইন্নী আ'উজু বিকা মিন্ হা-উলাঈল আৰ্বা।"

অৰ্থঃ হে আল্লাহ! মই তোমাৰ ওচৰত আশ্ৰয় বিচাৰোঁ, এনেকুৱা অন্তৰৰ পৰা যিটো তোমাৰ ভয়ত কম্পিত নহয়, এনেকুৱা নফছৰ পৰা যিটো কেতিয়াও তৃপ্ত নহয়, আৰু এনেকুৱা দুআৰ পৰা যিটো কবূল কৰা নহয়, এনেকুৱা জ্ঞানৰ পৰা, যিটো কোনো উপকাৰ নকৰে। হে আল্লাহ! মই এই চাৰিটা বস্তুৰ পৰা তোমাৰ আশ্ৰয় বিচাৰোঁ।

اللَّهم إني إعوذُ بك من يومِ السوءِ، ومنْ ليلةِ السوءِ، ومنْ ساعة السوءِ، ومنْ صاحبِ السوءِ، ومنْ جارِ السوءِ في دارِ المُقامة.

"আল্লাহুম্মা ইন্নী আ'উজু বিকা মিন য়াওমিছ-ছূ', অমিন লাইলাতিছ-ছূ', অমিন ছা-আতিছ-ছূ', অমিন চা-হিবিছ-ছূ', অমিন জা-'ৰিছ-ছু' ফী দা-ৰিল মুক্বামা।"

অৰ্থঃ হে আল্লাহ! মই তোমাৰ আশ্ৰয় বিচাৰোঁ বেয়া দিৱসৰ পৰা, বেয়া ৰাতিৰ পৰা, বেয়া মুহূৰ্তৰ পৰা, বেয়া সংগীৰ পৰা, আৰু স্থায়ী বাসস্থানত বেয়া প্ৰতিৱেশীৰ পৰা।

اللَّهم إني أسألك الجنة وأستجير بك من النار.

"আল্লাহুম্মা ইন্নী আছআলুকাল জান্নাতা ৱা আস্তাজীৰু বিকা মিনান্না-ৰ।"

অৰ্থঃ হে আল্লাহ! মই তোমাৰ ওচৰত জান্নাত প্ৰাৰ্থনা কৰোঁ আৰু জাহান্নামৰ পৰা তোমাৰ আশ্ৰয় প্ৰাৰ্থনা কৰোঁ।

اللَّهمَّ فَقِّهني فِي الدِّينِ.

"আল্লাহুম্মা ফাক্কিহনী ফিদ্দীন।"

অৰ্থঃ হে আল্লাহ! মোক দ্বীনৰ বোধশক্তি দান কৰা।

اللَّهمَّ إِنِّي أَعُوذُ بِكَ أَنْ أُشْرِكَ بِكَ وَأَنَا أَعْلَمُ، وَأَسْتَغْفِرُكَ لِمَا لَا أَعْلَمُ.

"আল্লাহুম্মা ইন্নী আ'উজু বিকা আন্ উশ্বৰিকা বিকা ৱা আনা আ'লাম, ৱা আস্তাগফিৰুকা লিমা লা আ'লাম।"

অৰ্থঃ হে আল্লাহ! মই তোমাৰ আশ্ৰয় বিচাৰোঁ যে, মই যাতে জানি বুজি তোমাৰ সৈতে আন কাকো অংশীদাৰ স্থাপন নকৰোঁ, লগতে মই সেই সকলো গুনাহৰ পৰা ক্ষমা বিচাৰোঁ যিবোৰৰ বিষয়ে মই জ্ঞাত নহয়।

اللَّهمَّ انْفَعْنِي بِمَا عَلَّمْتَنِي، وَعَلِّمْنِي مَا يَنْفَعُنِي، وَزِدْنِي عِلْمًا.

"আল্লাহুম্মান্ ফা'নী বিমা আল্লামতানী, ৱা আল্লিমনী মা য়ান্ফাউনী, অঝিদ্নী ইল্মা।"

অৰ্থঃ হে আল্লাহ! তুমি মোক যি শিক্ষা দিছা, তাৰ পৰা উপকৃত হোৱাৰ তাওফীক দিয়া, আৰু মোক এনেকুৱা শিক্ষা দিয়া যিটো মোৰ বাবে উপকাৰী, লগতে মোৰ জ্ঞান বৃদ্ধি কৰি দিয়া।

اللَّهمَّ إِنِّي أَسْأَلُكَ عِلْمًا نَافِعًا، وَرِزْقًا طَيِّبًا، وَعَمَلًا مُتَقَبَّلًا.

"আল্লাহুম্মা ইন্নী আছআলুকা ইল্মান নাফিআ, অৰিঝক্বান ত্বাইয়্যিবা, ৱা আমালান মুতাক্বাব্বালা।"

অৰ্থঃ হে আল্লাহ! মই তোমাৰ ওচৰত উপকাৰী জ্ঞান, পৱিত্ৰ জীৱিকা আৰু গ্ৰহণযোগ্য আমলৰ তাওফীক বিচাৰোঁ।

اللَّهمَّ إِنِّي أَسْأَلُكَ يَا اللّٰه بِأَنَّكَ الْوَاحِدُ الأَحَدُ الصَّمَدُ الَّذِي لَمْ يَلِدْ وَلَمْ يُولَدْ وَلَمْ يَكُنْ لَهُ كُفُوًا أَحَدٌ أَنْ تَغْفِرَ لِي ذُنُوبِي إِنَّكَ أَنْتَ الْغَفُورُ الرَّحِيمُ.

"আল্লাহুম্মা ইন্নী আছআলুকা য়া-আল্লাহ, বিআন্নাকাল-ৱা-হিদুল আহাদুছ-চামাদ, আল্লাজী লাম য়ালিদ অলাম ইউলাদ, অলাম য়াকুল লাহু কুফুৱান আহাদ; আন তাগফিৰা লী জুনূবী, ইন্নাকা আন্তাল গাফূৰূৰ ৰাহীম।"

অৰ্থঃ হে আল্লাহ! মই তোমাৰ ওচৰতেই প্ৰাৰ্থনা কৰোঁ, কাৰণ একমাত্ৰ তু্মিয়ে একক অদ্বিতীয়, তুমিয়ে সেই সত্ত্বা যিজন কাৰো মুখাপেক্ষী নহয়। তেওঁ কাকো জন্ম দিয়া নাই, আৰু নিজেও কাৰো পৰা জন্ম লোৱা নাই। তেওঁৰ সমকক্ষ কোনো নাই। হে আল্লাহ! তুমি মোৰ গুনাহসমূহ ক্ষমা কৰি দিয়া, নিশ্চয় তুমি ক্ষমাশীল অত্যন্ত দয়ালু।

اللَّهمَّ إِنِّي أَسْأَلُكَ بِأَنَّ لَكَ الْحَمْدَ، لَا إِلَهَ إِلَّا أَنْتَ، وَحْدَكَ لَا شَرِيكَ لَكَ الْمَنَّانُ يَا بَدِيعَ السَّمَوَاتِ وَالْأَرْضِ، يَا ذَا الْجَلَالِ وَالْإِكْرَامِ، يَا حَيُّ يَا قَيُّومُ، إِنِّي أَسْأَلُكَ الْجَنَّةَ وأَعُوذُ بِكَ مِنَ النَّارِ.

"আল্লাহুম্মা ইন্নী আছআলুকা বিআন্না লাকাল হাম্‌দ, লা ইলাহা ইল্লা আন্তা, অহদাকা লা শ্বাৰীকা লাকাল মান্নান, য়া বাদী'আছ-ছামাৱা-তি অল আৰজ, য়া জাল জালা-লি অল ইকৰাম, য়া হাইয়্যু য়া কাইয়্যুম; ইন্নী আছআলুকাল জান্নাহ, ৱা আউজুবিকা মিনান্‌-নাৰ।"

অৰ্থঃ হে আল্লাহ! মই একমাত্ৰ তোমাৰ ওচৰতেই প্ৰাৰ্থনা কৰোঁ। নিশ্চয় সকলো প্ৰশংসা তোমাৰেই, তোমাৰ বাহিৰে আন কোনো সত্য উপাস্য নাই, তুমি একক তথা অদ্বিতীয়, তোমাৰ কোনো অংশীদাৰ নাই। তুমিয়ে মহা

অনুগ্ৰহশীল। হে আকাশমণ্ডল আৰু পৃথিৱীৰ অনন্য সৃষ্টিকৰ্তা! হে মহিমাময় আৰু মহা মৰ্যাদাৰ অধিকাৰী! হে চিৰঞ্জীৱ, সৰ্বসত্ত্বাৰ ধাৰক! মই তোমাৰ ওচৰত জান্নাত প্ৰাৰ্থনা কৰোঁ আৰু জাহান্নামৰ পৰা আশ্ৰয় বিচাৰোঁ।

اللَّهمَّ إِنِّي أَسْأَلُكَ بِأَنِّي أَشْهَدُ أَنَّكَ أَنْتَ اللَّه، لَا إِلَهَ إِلَّا أَنْتَ، اَلْأَحَدُ، اَلصَّمَدُ، اَلَّذِي لَمْ يَلِدْ، وَلَمْ يُولَدْ، وَلَمْ يَكُنْ لَهُ كُفُوًا أَحَدٌ.

"আল্লাহুম্মা ইন্নী আছআলুকা বিআন্নী আশ্বহাদু আন্নাকা আন্তাল্লাহ, লা ইলাহা ইল্লা আন্তা, আল আহাদ, আচ-ছামাদ, আল্লাজী লাম য়ালিদ, অলাম ইউলাদ, অলাম য়াকুল লাহূ কুফুৱান আহাদ।"

অৰ্থঃ হে আল্লাহ! মই তোমাৰেই ওচৰত প্ৰাৰ্থনা কৰোঁ, কাৰণ মই সাক্ষ্য দিওঁ যে, তুমিয়েই আল্লাহ, যাৰ বাহিৰে আন কোনো সত্য ইলাহ নাই। তুমি একক, অমুখাপেক্ষী,কাকো জন্ম দিয়াও নাই, নিজেও কাৰো পৰা জন্ম লোৱা নাই। তেওঁৰ সমকক্ষ কোনো নাই।

ربِّ اغْفِر لي وتُب عَليَّ، إنك أَنت التَّوَّابُ الغفورُ.

"ৰাব্বিগ্‌ফিৰ্ লী অতুব্ 'আলাইয়্যা, ইন্নাকা আন্তাত্-তাওৱাবুল-গাফূৰ।"

অৰ্থ: হে মোৰ প্ৰতিপালক! মোক ক্ষমা কৰি দিয়া আৰু মোৰ তাওবা কবূল কৰা; নিশ্চয় তুমি তাওবা কবূলকাৰী, মহা ক্ষমাশীল।

اللَّهمَّ بِعِلْمِكَ الْغَيْب، وَقُدْرَتِكَ عَلَى الْخَلْقِ، أَحْيِنِي مَا عَلِمْتَ الْحَيَاةَ خَيْرًا لِي، وَتَوَفَّنِي إِذَا عَلِمْتَ الْوَفَاةَ خَيْرًا لِي.

"আল্লাহুম্মা বিইল্মিকা'ল-গাইব, অকুদ্রাতিকা 'আলাল-খাল্ক, আহ্য়িনি মা 'আলিমতাল-হায়া'তা খাইৰান-লী, অতাৱাফ্ফানী ইজা 'আলিমতাল অফাতা খাইৰান-লী।"

অৰ্থ: হে আল্লাহ! তোমাৰ অদৃশ্য জ্ঞান আৰু সৃষ্টিৰ ওপৰত থকা তোমাৰ ক্ষমতাৰ অছিলাৰে দুআ কৰোঁ, হে আল্লাহ! যদি জীৱিত থকাটো মোৰ বাবে কল্যাণকৰ হয় তেন্তে মোক জীৱিত ৰাখা, আৰু যদি মৃত্যু হোৱাটো মোৰ বাবে কল্যাণকৰ হয় তেন্তে মোক মৃত্যু দান কৰা।

اللَّهمَّ أَسْأَلُكَ خَشْيَتَكَ فِي الْغَيْبِ وَالشَّهَادَةِ، وَأَسْأَلُكَ كَلِمَةَ الْحَقِّ فِي الرِّضَا وَالْغَضَبِ، وَأَسْأَلُكَ الْقَصْدَ فِي الْفَقْرِ وَالْغِنَى، وَأَسْأَلُكَ نَعِيمًا لَا يَنْفَدُ، وَأَسْأَلُكَ قُرَّةَ عَيْنٍ لَا تَنْقَطِعُ، وَأَسْأَلُكَ الرِّضَاءَ بَعْدَ الْقَضَاءِ، وَأَسْأَلُكَ بَرْدَ الْعَيْشِ بَعْدَ الْمَوْتِ، وَأَسْأَلُكَ لَذَّةَ النَّظَرِ إِلَى وَجْهِكَ، وَالشَّوْقَ إِلَى لِقَائِكَ فِي غَيْرِ ضَرَّاءَ مُضِرَّةٍ، وَلَا فِتْنَةٍ مُضِلَّةٍ.

"আল্লাহুম্মা আছআলুকা খাশ্বয়াতাকা ফিল-গাইবি অশ্ব-শ্বাহাদা, ৱা আছআলুকা কালিমাতাল-হাক্কি ফিৰ-ৰিজা অল-গাজাব, ৱা আছআলুকাল-কাচদা ফিল-ফাক্রি অল-গিনা, ৱা আছআলুকা নায়ীমান লা য়ানফাদ, ৱা আছআলুকা কুৰ্ৰাতা 'আঈনিল লা তানকাতি', ৱা আছআলুকাৰ-ৰিজা বা'দাল-কাজা, ৱা আছআলুকা বাৰ্দাল-'আঈশ্বি বা'দাল-মাওত, ৱা আছআলুকা লাজ্জাতান্-নাজৰি ইলা অজহিক, অশ্ব-শ্বাওক্বা ইলা লিক্বা ইক, ফী গাইৰি জাৰ্ৰা-আ মুজিৰ্ৰাহ, অলা ফিতনাতিন্ মুজিল্লাহ।"

অৰ্থ: হে আল্লাহ! মই প্ৰকাশ্যে আৰু গোপনে তোমাক ভয় কৰাৰ তাওফীক বিচাৰোঁ, মই সন্তোষত আৰু খঙত সঁচা কথা কোৱাৰ তাওফীক বিচাৰোঁ; আৰু দাৰিদ্ৰ্যতা আৰু ধনীৰ মাজত থকা মধ্যপন্থা অৱলম্বন কৰি জীৱন যাপন কৰিব বিচাৰোঁ; লগতে মই তোমাৰ ওচৰত এনেকুৱা নিআ'মত বিচাৰোঁ যিটো কেতিয়াও শেষ নহয়; আৰু মই তোমাৰ ওচৰত এনেকুৱা চকু শীতলকাৰী বস্তু বিচাৰোঁ যিটো কেতিয়াও বিচ্ছিন্ন নহয়; আৰু ফয়চালাৰ পিছত তোমাৰ সন্তুষ্টি বিচাৰোঁ; আৰু মৃত্যুৰ পাছত শান্তিপূৰ্ণ জীৱন বিচাৰোঁ; আৰু মই তোমাৰ মুখমণ্ডলৰ প্ৰতি চাই থকাৰ সুখ বিচাৰোঁ, আৰু তোমাৰ সাক্ষাতৰ এই চাহিদাক কোনো ক্ষতিকৰ বিপদে অথবা কোনো বিভ্ৰান্তকাৰী ফিতনাই যেন বিনষ্ট কৰিব নোৱাৰে।

اللَّهمَّ زَيِّنَّا بِزِينَةِ الْإِيمَانِ، وَاجْعَلْنَا هُدَاةً مُهْتَدِينَ.

"আল্লাহুম্মা ঝায়্যিন্না বিঝীনাতিল-ঈমান, অজআলনা হুদা-তাম্ মুহ্তাদীন।"

অৰ্থঃ হে আল্লাহ! তুমি আমাক ঈমানৰ সৌন্দৰ্যৰে সুশোভিত কৰা, আৰু আমাক হিদায়তপ্ৰাপ্তসকলৰ পথৰ পথিক হিচাপে অন্তৰ্ভুক্ত কৰা।

اللَّهمَّ ارْزُقْنِي حُبَّكَ، وَحُبَّ مَنْ يَنْفَعُنِي حُبُّهُ عِنْدَكَ

"আল্লাহুম্মাৰ ঝুক্নী হুব্বাক, অহুব্বা মাঁইয়ানফাঊনী হুব্বুহু ইন্দাক।"

অৰ্থঃ হে আল্লাহ! মোক তোমাৰ মুহাব্বত দান কৰা, আৰু সেই ব্যক্তিৰ মুহাব্বত দান কৰা, যাৰ মুহাব্বতে তোমাৰ ওচৰত মোক উপকৃত কৰিব।

اللَّهمَّ مَا رَزَقْتَنِي مِمَّا أُحِبُّ فَاجْعَلْهُ قُوَّةً لِي فِيمَا تُحِبُّ

"আল্লাহুম্মা মা ৰাঝাক্‌তানী মিম্মা উহিব্বু ফাজআলহু কুউৱাতান লী ফীমা তুহিব্বু।"

অৰ্থঃ হে আল্লাহ! তুমি মোক মোৰ যিবোৰ প্ৰিয় বস্তু দান কৰিছা, সেইবোৰক তুমি তোমাৰ প্ৰিয় বস্তু অৰ্জনৰ বাবে মোৰ বাবে শক্তিৰ উৎস বনাই দিয়া।

اللَّهمَّ وَمَا زَوَيْتَ عَنِّي مِمَّا أُحِبُّ فَاجْعَلْهُ فَرَاغًا لِي فِيمَا تُحِبُّ.

"আল্লাহুম্মা অমা ঝাৱাইতা আন্নী মিম্মা উহিব্বু ফাজআলহু ফাৰা-গান লী ফীমা তুহিব্ব।"

অৰ্থঃ হে আল্লাহ! তুমি মোৰ যিবোৰ প্ৰিয় বস্তু মোৰ পৰা আঁতৰাই ৰাখিছা, সেইবোৰৰ বিনিময়ত তুমি যিটো ভালপোৱা সেইটো অৰ্জনৰ অৱকাশ দিয়া বা সুযোগত পৰিণত কৰি দিয়া।

اللَّهمَّ إِنِّي أَعُوذُ بِكَ مِنَ الْجُبْنِ، وَالْبُخْلِ، وَسُوءِ الْعُمُرِ، وَفِتْنَةِ الصَّدْرِ، وَعَذَابِ الْقَبْرِ.

"আল্লাহুম্মা ইন্নী আ'উজু বিকা মিনাল জুব্‌নি, অল বুখলি, অছূ য়িল উমুৰ। অফিতনাতিচ চদৰ, ৱা আজা-বিল-কাব্ৰ।"

অৰ্থঃ হে আল্লাহ! মই তোমাৰ ওচৰত আশ্ৰয় প্ৰাৰ্থনা কৰোঁ কাপুৰুষতাৰ পৰা, কৃপণতাৰ পৰা আৰু বৃদ্ধ

অৱস্থাৰ বেয়া পৰিণতিৰ পৰা, লগতে অন্তৰৰ ফিতনা আৰু কবৰৰ শাস্তিৰ পৰা।

اللَّهمَّ رَبَّ جِبْرَائِيلَ وَمِيكَائِيلَ، وَرَبَّ إِسْرَافِيلَ، أَعُوذُ بِكَ مِنْ حَرِّ النَّارِ، وَمِنْ عَذَابِ الْقَبْرِ.

"আল্লাহুম্মা ৰাব্বা জিব্ৰাঈল, অমীকাঈল, অৰাব্বা ইছ্ৰাফীল, আ'উজু বিকা মিন হাৰ্ৰিন-নাৰ, অমিন আজাবিল-কাব্ৰ।"

অৰ্থঃ হে আল্লাহ! জিব্ৰাঈল, মীকাঈল আৰু ইছ্ৰাফীলৰ প্ৰতিপালক! মই জাহান্নামৰ উত্তাপৰ পৰা আৰু কবৰৰ শাস্তিৰ পৰা তোমাৰ আশ্ৰয় বিচাৰোঁ।

اللَّهمَّ أَلْهِمْنِي رُشْدِي، وَأَعِذْنِي مِنْ شَرِّ نَفْسِي.

"আল্লাহুম্মা আলহিম্‌নী ৰুশ্বদী, ৱা আ'য়িজনী মিন শ্বাৰ্ৰি নাফ্‌ছী।"

অৰ্থঃ হে আল্লাহ! মোক সঠিক পথৰ প্ৰেৰণা দিয়া, আৰু মোক মোৰ নিজৰ অন্তৰৰ কুমন্ত্ৰণাৰ পৰা ৰক্ষা কৰা।

اللَّهمَّ إِنِّي أَسْأَلُكَ عِلْمًا نَافِعًا، وَأَعُوذُ بِكَ مِنْ عِلْمٍ لَا يَنْفَعُ.

"আল্লাহুম্মা ইন্নী আছআলুকা 'ইল্মান নাফিআ', ৱা আ'উজু বিকা মিন 'ইল্মিল লা য়ানফা'।"

অৰ্থঃ হে আল্লাহ! মই তোমাৰ ওচৰত উপকাৰী জ্ঞান লাভৰ প্ৰাৰ্থনা কৰোঁ, আৰু যি জ্ঞানৰ কোনো উপকাৰ নাই, তেনেকুৱা জ্ঞানৰ পৰা মই তোমাৰ আশ্ৰয় বিচাৰোঁ।

اللَّهمَّ رَبَّ السَّمَوَاتِ السبع، وَرَبَّ الْأَرْضِ، وَرَبَّ الْعَرْشِ الْعَظِيمِ، رَبَّنَا وَرَبَّ كُلِّ شَيْءٍ، فَالِقَ الْحَبِّ وَالنَّوَى[8]، وَمُنْزِلَ التَّوْرَاةِ وَالْإِنْجِيلِ وَالْفُرْقَانِ، أَعُوذُ بِكَ مِنْ

شَرِّ كُلِّ شَيْءٍ أَنْتَ آخِذٌ بِنَاصِيَتِهِ، اللَّهمَّ أَنْتَ الْأَوَّلُ فَلَيْس قَبْلَكَ شَيْءٌ، وَأَنْتَ الْآخِرُ فَلَيْسَ بَعْدَكَ شَيْءٌ، وَأَنْتَ الظَّاهِرُ فَلَيْسَ فَوْقَكَ شَيْءٌ، وَأَنْتَ الْبَاطِنُ فَلَيْس دُونَكَ شَيْءٌ، اقْضِ عَنَّا الدَّيْنَ، وَأَغْنِنَا مِنْ الْفَقْرِ.

"আল্লাহুম্মা ৰাব্বাছ-ছামাৱাতিছ্-ছাবয়ি‘, অৰাব্বাল্-আৰ্জ, অৰাব্বাল্-আৰ্শ্বিল্-আযীম, ৰাব্বানা অৰাব্বা কুল্লি শ্বাই, ফা-লিকাল্-হাব্বি অন্-নাৱা, অমুন্ঝিলাত্-তাওৰাতি অল্-ইঞ্জীলি অল্-ফুৰ্ক্কান, আ‘উজু বিকা মিন্ শ্বাৰ্ৰি কুল্লি শ্বাই আন্তা আ-খিযুম্ বিনাচিয়াতিহ, আল্লাহুম্মা আন্তাল-আওৱালু ফালাইছা ক্বাবলাকা শ্বাই’, ৱা আন্তাল্-আ-খিৰু ফালাইছা বা'দাকা শ্বায়’, ৱা আন্তাজ-যাহিৰু ফালাইছা ফাওক্বাকা শ্বাই’, ৱা আন্তাল্-বাতিনু ফালাইছা দূ-নাকা শ্বাই’, ইক্বজি আন্নাদ্-দাইনা, ৱা আগনিনা মিনাল্-ফাক্ৰ।"

অৰ্থঃ হে আল্লাহ! হে সাতখন আকাশ আৰু পৃথিৱীৰ প্ৰতিপালক, মহা আৰছৰ ৰব্ব, আমাৰ ৰব্ব, তথা সকলো বস্তুৰেই ৰব্ব, শস্য-বীজ আৰু গুটি বিদীৰ্ণকাৰী, তাওৰাত, ইঞ্জীল আৰু ফুৰক্বান অৱতীৰ্ণকাৰী! মই তোমাৰ ওচৰত আশ্ৰয় প্ৰাৰ্থনা কৰিছোঁ প্ৰত্যেক ক্ষতিকাৰকৰ ক্ষতিৰ পৰা, যাৰ কপালৰ অগ্ৰভাগ তুমিয়েই ধাৰণকাৰী। হে আল্লাহ! তুমিয়েই প্ৰথম, তোমাৰ পূৰ্বে একো নাই। তুমিয়েই অন্ত, তোমাৰ পিছত একো নাই। তুমিয়েই সৰ্বোচ্চ, তোমাৰ ওপৰত একো নাই। তুমিয়েই আটাইতকৈ ওচৰত, তোমাতকৈ ওচৰত আন কোনো নাই। তুমি মোৰ ঋণ পৰিশোধ কৰাৰ

তাওফীক দিয়া, আৰু দৰিদ্ৰতা তথা অভাৱ-অনাটনৰ পৰা অভাৱমুক্ত কৰা।[1]

اللَّهمَّ أَلِّفْ بَيْنَ قُلُوبِنَا، وَأَصْلِحْ ذَاتَ بَيْنِنَا، وَاهْدِنَا سُبُلَ السَّلَامِ، وَنَجِّنَا مِنْ الظُّلُمَاتِ إِلَى النُّورِ، وَجَنِّبْنَا الْفَوَاحِشَ وَالْفِتَنَ، مَا ظَهَرَ مِنْهَا، وَمَا بَطَنَ، وَبَارِكْ لَنَا فِي أَسْمَاعِنَا، وَأَبْصَارِنَا، وَقُلُوبِنَا، وَأَزْوَاجِنَا، وَذُرِّيَّاتِنَا، وَتُبْ عَلَيْنَا إِنَّك أَنْتَ التَّوَّابُ الرَّحِيمُ، وَاجْعَلْنَا شَاكِرِينَ لِنِعَمِك، مُثْنِينَ بِهَا عَلَيْكَ، قَابِلِينَ لهَا، وَأَتِمِمْها عَلَيْنَا.

"আল্লাহুম্মা আল্লিফ্ বাইনা কুলূবিনা, ৱা আছলিহ্ যা-তা বাইনিনা, অহ্‌দিনা ছুবুলাছ্ ছালাম, অনাজ্জিনা মিনাজ যুলুমা-তি ইলান নূৰ, অজান্‌নিব্‌নাল্ ফাৱাহিশ্বা অল্-ফিতান, মা যাহাৰা মিন্‌হা, অমা বাতান, অবাৰিক্ লানা ফী আছমা-‘ইনা, ৱা আ’বচা-ৰিনা, অকুলূবিনা, ৱা আঝৱাজিনা, অযুৰ্‌ৰিয়্যা-তিনা, অতুব ‘আলাইনা, ইন্নাকা আন্তাত্ তাওৱাবুৰ ৰাহীম, অজ‘আলনা শ্বা’কিৰীনা লিনি‘আমিক, মুছ্‌নীনা বিহা ‘আলাইক, কাবিলীনা লাহা, ৱা আতমিমহা ‘আলাইনা।"

অৰ্থঃ হে আল্লাহ! আমাৰ হৃদয়সমূহৰ মাজত বন্ধন সৃষ্টি কৰি দিয়া, আমাৰ পৰস্পৰৰ মাজৰ সম্পৰ্কক সংশোধন কৰি দিয়া, আমাক শান্তিৰ পথত পৰিচালিত কৰা, আৰু আমাক অন্ধকাৰৰ পৰা মুক্ত কৰি পোহৰলৈ নিয়া। লগতে আমাক প্ৰকাশ্য আৰু অপ্ৰকাশ্য সকলো প্ৰকাৰ অশ্লীলতা আৰু ফিতনা আঁতৰাই ৰাখা। আমাৰ শ্ৰৱণশক্তি, দৃষ্টিশক্তি, অন্তৰসমূহ, আমাৰ স্ত্ৰীসকল আৰু সন্তান-সন্ততিসকলৰ মাজত বৰকত দিয়া। লগতে

---

[1] شاق الحبة শস্যৰ শীষ ওলাই অহা, والنواة বীজ অংকুৰিত হৈ পুলি ওলোৱা। (আল-মুফহিম লিমা আশ্বকালা মিন তালখীচ কিতাব মুছলিমঃ ৭/৪১)

আমাৰ তাওবা কবুল কৰা, নিশ্চয় তুমি অত্যন্ত তাওবা কবুলকাৰী, পৰম দয়ালু। হে আল্লাহ! তুমি আমাক তোমাৰ নিআমতসমূহৰ কৃতজ্ঞতা স্বীকাৰকাৰী আৰু এইবোৰৰ বাবে তোমাৰ প্ৰশংসাকাৰী বনাই দিয়া, লগতে এই নিআমতবোৰ আমাৰ ওপৰত সম্পূৰ্ণ কৰি দিয়া।

اللَّهمَّ إنّي أسْأَلُكَ خَيرَ المسْأَلَةِ، وخَيْرَ الدُّعَاءِ، وخَيْرَ النَّجَاح، وخَيْرَ العَمَلِ، وخَيْرَ الثَّوابِ، وخَيْرَ الْحَيَاةِ، وخَيْرَ الْمَمَاتِ، وثَبِّتْنِي، وثَقِّلْ مَوَازِينِي، وحَقِّقْ إيْمانِي، وَارْفَعْ دَرَجاتِي، وَتَقَبَّلْ صَلَاتِي، وَاغْفِرْ خَطِيئَتِي، وَأَسْأَلُكَ الدَّرجَاتِ العُلَا مِنَ الْجَنَّةِ.

"আল্লাহুম্মা ইন্নী আছআলুকা খাইৰাল মাছআলাহ, অখাইৰাদ্ দুআ', অখাইৰান্ নাজাহ, অখাইৰাল আমাল, অখাইৰাছ্ ছাৱাব, অখাইৰাল হায়াত, অখাইৰাল মামাত, অছাব্বিতনী, অছাক্কিল্ মাৱাঝীনি, অহাক্কিক্ব ঈমানী, অৰফা' দাৰাজা-তী, অতাক্বাব্বাল্ চালাতী, অগ্‌ফিৰ খাতী-আতী, ৱা আছআলুকাদ্ দাৰাজা-তিল উ'লা মিনাল জান্নাহ।"

অৰ্থঃ হে আল্লাহ! মই তোমাৰ ওচৰত তাওফীক কামনা কৰোঁ, উত্তম প্ৰাৰ্থনাৰ, উত্তম দুআৰ, উত্তম সফলতাৰ, উত্তম কৰ্মৰ, উত্তম প্ৰতিদানৰ, উত্তম জীৱন আৰু উত্তম মৃত্যুৰ। মোক (ঈমানৰ ওপৰত) দৃঢ়তা প্ৰদান কৰা, মোৰ নেকীসমূহৰ ওজন বৃদ্ধি কৰা, মোৰ ঈমান বাস্তৱায়িত কৰা, মোৰ মৰ্যাদা উন্নীত কৰি দিয়া, মোৰ নামাজ কবুল কৰা, মোৰ ভুল-ত্ৰুটিসমূহ ক্ষমা কৰা। লগতে (হে আল্লাহ) মই তোমাৰ ওচৰত জান্নাতৰ সৰ্বোচ্চ মৰ্যাদা বিচাৰিছোঁ।

اللَّهمَّ إنّي أَسْأَلُكَ فَوَاتِحَ الْخَيْرِ، وخَوَاتِمَهُ، وَجوَامِعَهُ، وَأَوَّلَهُ، وَظَاهِرَهُ، وَبَاطِنَهُ، وَالدَّرَجَاتِ الْعُلَا مِنَ الْجَنَّةِ.

"আল্লাহুম্মা ইন্নী আছআলুকা ফাৱাতিহাল খায়ৰ, অখাৱাতিমাহ, অজাৱামিআহ, ৱা আওৱালাহু অজ্বা-হিৰাহ, অবা-তিনাহ, অদ্দাৰাজা-তিল উলা মিনাল জান্নাহ।"

অৰ্থঃ হে আল্লাহ! মই তোমাৰ ওচৰত কল্যাণৰ শুভাৰম্ভণি, শুভ পৰিণাম, ইয়াৰ সমষ্টি, ইয়াৰ আদি, ইয়াৰ প্ৰকাশ্য আৰু আভ্যন্তৰীণ ভাল দিশ বিচাৰোঁ। লগতে মই তোমাৰ ওচৰত জান্নাতত উচ্চ মৰ্যাদা কামনা কৰোঁ।

اللَّهمّ إنّي أَسْأَلُكَ خَيْرَ مَا آتِي، وَخَيْرَ مَا أَفْعَلُ، وَخَيْرَ مَا أعْمَلُ، وَخَيْرَ مَا بَطَنَ، وَخَيْرَ مَا ظَهَرَ، وَالدَّرَجَاتِ الْعُلَا مِنَ الْجَنَّةِ.

"আল্লাহুম্মা ইন্নী আছআলুকা খায়ৰা মা আ-তী, অখায়ৰা মা আফ'আল, অখায়ৰা মা আ'মাল, অখায়ৰা মা বাতান, অখায়ৰা মা জাহাৰ, অদ্দাৰাজা-তিল উলা মিনাল জান্নাহ।"

অৰ্থঃ হে আল্লাহ! মই যি লাভ কৰিছোঁ তোমাৰ ওচৰত সেইবোৰৰ কল্যাণ প্ৰাৰ্থনা কৰোঁ, লগতে কৰ্মৰ কল্যাণ, আচৰণৰ কল্যাণ, লগতে মোৰ প্ৰকাশ্য আৰু অপ্ৰকাশ্য দিশৰ কল্যাণ প্ৰাৰ্থনা কৰোঁ, আৰু জান্নাতৰ উচ্চ মৰ্যাদা কামনা কৰোঁ।

اللَّهمَّ إنّي أَسْأَلُكَ أَنْ تَرْفَعَ ذِكْرِي، وَتَضَعَ وِزْرِي، وَتُصلِحَ أَمْرِي، وَتُطَهِّرَ قَلْبِي، وَتُحَصِّنَ فَرْجِي، وَتُنَوِّرَ قَلْبِي، وَتَغْفِرَ لِي ذَنْبِي، وَأَسْأَلُكَ الدَّرَجَاتِ الْعُلَا مِنَ الْجَنَّةِ.

"আল্লাহুম্মা ইন্নী আছআলুকা আন তাৰফাআ জিকৰী, অতাদাআ ৱিঝৰী, অতুছলিহা আম্ৰী, অতুতাহ্হিৰা কালবী, অতুহাচ্ছিনা ফাৰ্জী, অতুনাওৱিৰা কালবী, অতাগ্ফিৰা লী জাম্বী, ৱা আছআলুকাদ্ দাৰাজা-তিল উলা মিনাল জান্নাহ।"

অৰ্থঃ হে আল্লাহ! মই তোমাৰ ওচৰত প্ৰাৰ্থনা কৰোঁ যে— তুমি মোৰ জিকৰ (স্মৰণ) উচ্চ কৰি দিয়া, মোৰ পাপসমূহ অপসাৰণ কৰা, মোৰ সকলো কৰ্মৰাজি সংশোধন কৰি দিয়া, মোৰ অন্তৰ পৱিত্ৰ কৰি দিয়া, মোৰ লজ্জাস্থান সুৰক্ষিত ৰাখা, মোৰ অন্তৰক আলোকিত কৰা, আৰু মোৰ গুনাহসমূহ ক্ষমা কৰি দিয়া, লগতে (হে আল্লাহ) মই তোমাৰ ওচৰত জান্নাতৰ উচ্চ স্তৰ প্ৰাৰ্থনা কৰোঁ।

اللَّهمَّ إنّي أَسْأَلُكَ أَنْ تُبارِكَ فِي نَفْسِي، وَفِي سَمْعِي، وَفِي بَصَرِي، وَفِي رُوحِي، وَفِي خَلْقِي، وَفِي خُلُقِي، وَفِي أَهْلِي، وَفِي مَحْيَايَ، وَفِي مَمَاتِي، وَفِي عَمَلِي، فَتَقَبَّلْ حَسَنَاتِي، وَأَسْأَلُكَ الدَّرَجَاتِ الْعُلَا مِنَ الْجَنَّةِ.

"আল্লাহুম্মা ইন্নী আছআলুকা আন তুবাৰিকা ফী নাফ্ছী, অফী ছাম'য়ী, অফী বাচাৰী, অফী ৰূহী, অফী খালকী, অফী খুলুকী, অফী আহ্লী, অফী মাহ্ইয়া-ইয়া, অফী মামাতী, অফী আমালী, ফাতাকাব্বাল হাছানা-তী, ৱা আছআলুকাদ্ দাৰাজা-তিল উলা মিনাল জান্নাহ।"

অৰ্থঃ হে আল্লাহ! মই তোমাৰ ওচৰত প্ৰাৰ্থনা কৰোঁ যে, তুমি মোৰ আত্মাত, মোৰ শ্ৰৱণশক্তিত, মোৰ দৃষ্টি শক্তিত, মোৰ প্ৰাণত, মোৰ গঠনত, মোৰ আচৰণত,

মোৰ পৰিয়ালত, মোৰ জীৱনত, মোৰ মৃত্যুত আৰু মোৰ কৰ্মৰাজীত বৰকত দিয়া। (হে আল্লাহ) তুমি মোৰ সৎকৰ্মবোৰ কবূল কৰা। (হে আল্লাহ) মই তোমাৰ ওচৰত জান্নাতৰ উচ্চ মৰ্যাদা বিচাৰোঁ।

اللَّهمَّ، جَنِّبْنِي مُنْكَرَاتِ الأَخْلاقِ، وَالأَعْمَالِ، وَالأَهْوَاءِ، وَالأدْوَاءِ.

"আল্লাহুম্মা জান্নিব্নী মুনকাৰা-তিল আখ্লা-ক্ব, অল আ'মা-ল, অল আহ্ৱা, অল আদ্ৱা।"

অৰ্থ: হে আল্লাহ! মই তোমাৰ ওচৰত আশ্ৰয় প্ৰাৰ্থনা কৰোঁ নিন্দনীয় চৰিত্ৰৰ পৰা, বেয়া কৰ্ম আৰু প্ৰবৃত্তিৰ বেয়া কামনা-বাসনাৰ পৰা আৰু বেয়া বেমাৰ-আজাৰৰ পৰা।

اللَّهمَّ قَنِّعْنِي بِمَا رَزَقْتَنِي، وَبَارِكْ لِي فِيهِ، وَاخْلُفْ عَلَيَّ كُلَّ غَائِبَةٍ لِي بِخَيْرٍ.

"আল্লাহুম্মা কান্নি'নী বিমা ৰাঝাক্তানী, অবাৰিক লী ফীহ, অখ্লুফ 'আলাইয়্যা কুল্লা গা-ইবাতিন লী বিখায়ৰ।"

অৰ্থঃ হে আল্লাহ! তুমি মোক যি জীৱিকা দান কৰিছা, সেইখিনিতে মোক সন্তুষ্ট হোৱাৰ তাওফীক দিয়া, আৰু তাত মোৰ বাবে বৰকত দান কৰা, আৰু মই যিটো পোৱা নাই, প্ৰত্যেক উত্তম বস্তু সেইটোৰ স্থলাভিষিক্ত কৰা।

اللَّهمَّ حَاسِبْنِي حِسَابًا يَسِيرًا.

"আল্লাহুম্মা হাছিব্নী হিছাবাঁই য়াছীৰা।"

অৰ্থঃ হে আল্লাহ! (কিয়ামতৰ দিনা) তুমি মোৰ সহজভাৱে হিচাপ গ্ৰহণ কৰিবা।

اللَّهمَّ أَعِنِّي عَلَى ذِكْرِكَ، وَشُكْرِكَ، وَحُسْنِ عِبَادَتِكَ.

"আল্লাহুম্মা আ'ইন্নী 'আলা যিকৰিকা, অশ্বুকৰিকা, অহুছনি 'ইবা-দাতিক।"

অৰ্থঃ হে আল্লাহ! মোক তোমাৰ স্মৰণ, কৃতজ্ঞতা-জ্ঞাপন আৰু উত্তমভাৱে তোমাৰেই ইবাদত কৰাৰ তাওফীক প্ৰদান কৰা।

اللَّهم إِنِّي أَسْأَلُكَ إِيمَانًا لَا يَرْتَدُّ، وَنَعِيمًا لَا يَنْفَدُ، وَمُرَافَقَةَ نَبِيِّكَ مُحَمَّدٍ صلى الله عليه وسلم فِي أَعْلَى جَنَّةِ الْخُلْدِ.

"আল্লাহুম্মা ইন্নী আছআলুকা ঈমানাল লা য়াৰতাদ্দু, অনায়ীমাল লা য়ানফাদ, অমুৰা-ফাকাতা নাবীয়্যিকা মুহাম্মাদ্ চাল্লাল্লাহু 'আলাইহি অছাল্লামা ফী আ'লা জান্নাতিল খুল্দ।"

অৰ্থঃ হে আল্লাহ! মই তোমাৰ ওচৰত এনেকুৱা প্ৰাৰ্থনা কৰোঁ, যিটো কেতিয়াও পৰিবৰ্তন নহয়, এনেকুৱা নিআ'মত বিচাৰোঁ যিটো কেতিয়াও শেষ নহ'ব, লগতে চিৰস্থায়ী জান্নাতৰ সৰ্বোচ্চ স্থানত তোমাৰ প্ৰিয় হাবীব নবী মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লামৰ সাহচৰ্য্য বিচাৰোঁ।

اللَّهمَّ قِنِي شَرَّ نَفْسِي، وَاعْزِمْ لِي عَلَى أَرْشَدِ أَمْرِي، اللَّهمَّ اغْفِرْ لِي مَا أَسْرَرْتُ، وَمَا أَعْلَنْتُ، وَمَا أَخْطَأْتُ، وَمَا عَمَدْتُ، وَمَا عَلِمْتُ، وَمَا جَهِلْتُ.

"আল্লাহুম্মা ক্বিনী শ্বাৰ্ৰা নাফ্ছি, অ'ঝিম্ লী 'আলা আৰশ্বাদী আম্ৰী, আল্লাহুম্মাগ ফিৰলী মা আছৰাৰ্তু, অমা আ'লান্তু, অমা আখতা'তু, অমা 'আমত্তু, অমা 'আলিম্তু, অমা জাহিল্তু।"

অৰ্থঃ হে আল্লাহ! তুমি মোক ৰক্ষা কৰা, মোৰ আত্মাৰ অনিষ্টৰ পৰা, লগতে মোক অটল ৰখা আটাইতকৈ সঠিক পথৰ ওপৰত। হে আল্লাহ! তুমি মোক ক্ষমা কৰি দিয়া, যিটো গুনাহ মই গোপনে কৰিছোঁ আৰু যি মই প্ৰকাশ্যভাৱে কৰিছোঁ, লগতে যি মই ভুলবশতঃ কৰিছোঁ আৰু যি মই ইচ্ছাকৃতভাৱে কৰিছে, এইদৰে যি মই জানি বুজি কৰিছোঁ, আৰু যি মই অজানিতে কৰিছোঁ।

اللَّهمَّ إِنِّي أَعُوذُ بِكَ مِنْ غَلَبَةِ الدَّيْنِ، وَغَلَبَةِ الْعَدُوِّ، وَشَمَاتَةِ الأَعْدَاءِ.

"আল্লাহুম্মা ইন্নি আউজু বিকা মিন গালাবাতিত দাইন, অগালাবাতিল আদুউ, অশ্বামা-তাতিল আ'দা।"

অৰ্থঃ হে আল্লাহ! মই তোমাৰ ওচৰত ঋণৰ বোজা, শত্ৰুৰ প্ৰাধান্য, আৰু শত্ৰুৰ আনন্দৰ পৰা আশ্ৰয় প্ৰাৰ্থনা কৰিছোঁ।

اللَّهمَّ اغْفِرْ لِي، وَاهْدِنِي، وَارْزُقْنِي، وَعَافِنِي، أَعُوذُ بِاللَّه مِنْ ضِيقِ الْمَقَامِ يَوْمَ الْقِيَامَةِ.

"আল্লাহুম্মাগ ফিৰলী, অহদিনী, অৰঝুক্‌নী, ৱা ‘আফিনী, আ‘উজু বিল্লাহি মিন্ জীকিল্ মাকা-মী য়াওমাল কিয়ামাহ।"

অৰ্থঃ হে আল্লাহ! মোক ক্ষমা কৰি দিয়া, মোক সঠিক পথ দেখুৱা, মোক জীৱিকা দান কৰা, মোক সুস্থতা প্ৰদান কৰা। হে আল্লাহ! কিয়ামত দিৱসৰ কঠিন পৰিস্থিতিৰ পৰা মই তোমাৰ আশ্ৰয় বিচাৰোঁ।

اللَّهمَّ مَتِّعْنِي بِسَمْعِي، وَبَصَرِي، وَاجْعَلْهُمَا الْوَارِثَ مِنِّي، وَانْصُرْنِي عَلَى مَنْ يَظْلِمُنِي، وَخُذْ مِنْهُ بِثَأْرِي.

"আল্লাহুম্মা মাত্তি'ন্নী বিছাম য়ী, অবাচাৰী, অজআলহুমাল ৱা-ৰিছা মিন্নী, অন চুৰনী আলা মাঁইয়াজলিমুনী, অখুজ মিনহু বিছা'ৰী।"

অৰ্থঃ হে আল্লাহ! মোৰ শ্ৰৱণশক্তি আৰু দৃষ্টিশক্তিৰ দ্বাৰা মোক উপকৃত কৰা, লগতে এই দুটাক মোৰ উত্তৰাধিকাৰী বনাই দিয়া, (মৃত্যুপৰ্যন্ত অটুট ৰাখা)। মোৰ প্ৰতি যিয়ে অন্যায় কৰে, তাৰ বিৰুদ্ধে তুমি মোক সহায় কৰা। লগতে তাৰ পৰা তুমি মোৰ প্ৰতিশোধ লোৱা।

اللَّهمَّ إنِي أَسْأَلُكَ عِيشَةً نَقِيَّةً، ومِيتَةً سَوِيَّةً، ومَرداً غَيْرَ مُخْزٍ، ولَا فَاضِحٍ.

"আল্লাহুম্মা ইন্নী আছআলুকা ঈশ্বাতান্ নাকীয়্যাহ, অমীতাতান্ ছাৱীয়্যাহ, অমাৰ্দ্দান গাইৰা মুখ্ঝীন অলা ফা-জিহ।"

অৰ্থঃ হে আল্লাহ! মই তোমাৰ ওচৰত পৱিত্ৰ জীৱন প্ৰাৰ্থনা কৰোঁ, সঠিক মৃত্যু কামনা কৰোঁ, লগতে এনেকুৱা পৰলৌকিক প্ৰত্যাৱৰ্তন, য'ত অপমান অপদস্থ হ'বলগীয়া নহ'ব।

اللَّهمَّ أَحْسَنْتَ خَلْقِي، فَأَحْسِنْ خُلُقِي.

"আল্লাহুম্মা আহ্ছান্তা খাল্কী, ফা আহ্ছিন খুলুকী।"

অৰ্থঃ হে আল্লাহ! তুমি মোক সুন্দৰ আকৃতিত সৃষ্টি কৰিছা, সেয়ে তুমি মোৰ আচাৰ-আচৰণো সুন্দৰ কৰি দিয়া।

اللَّهمِ اَغْفِرْ لِلْمُؤْمِنِينَ وَالمُؤْمِنَاتِ.

"আল্লাহুম্মাগফিৰ লিল্‌মু'মিনীনা অলমু'মিনাত।"

অর্থঃ হে আল্লাহ! তুমি সকলো মুমিন পুৰুষ আৰু মুমিনা নাৰীক ক্ষমা কৰি দিয়া।

اللَّهمَّ ثَبِّتني وَاجْعَلْني هَادِيًا مَهْدِيًّا.

"আল্লাহুম্মা ছাব্বিতনী অজআ'লনী হা-দীয়ান মাহদিয়্যা।"

অর্থঃ হে আল্লাহ! তুমি মোক (সত্যৰ ওপৰত) অটল ৰাখা, আৰু মোক এজন হিদায়তপ্ৰাপ্ত পথপ্ৰদৰ্শক বনাই দিয়া।

اللَّهمَّ آتِنِي الْحِكْمَةَ الّتِي مَنْ أُوتِيهَا فَقَدْ أُوتِيَ خَيْراً كَثِيراً.

"আল্লাহুম্মা আ-তিনীল্ হিকমাতাল্লাতী মান 'উ-তীহা ফাক্বা'দ উ-তীয়া খাইৰান কাছীৰা।"

অর্থঃ হে আল্লাহ! মোক হিকমত দান কৰা, কাৰণ যাক হিকমত দান কৰা হয়, তাক দৰাচলতে প্ৰভূত কল্যাণ দান কৰা হয়।

আল্লাহেই সৰ্বজ্ঞ। দৰূদ আৰু ছালাম বৰ্ষিত হওক আমাৰ প্ৰিয় নবী মুহাম্মদৰ ওপৰত।

# সূচীপত্ৰ

গুৰুত্বপূৰ্ণ কিছুমান দুআ ..... 2
প্ৰথমঃ কোৰআনৰ পৰা সংগৃৃহীত দুআসমূহঃ ..... 2
দ্বিতীয়ঃ হাদীছে নবৱীৰ পৰা সংগৃহীত দুআসমূহ। ..... 13

as411v1.0 - 06/09/2026